সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved
Postal Redg. No. GH- 098/2012-17
৩১ বছৰ,১৭ সংখ্যা, ১৩ ব'হাগ, ৰবিবাৰ,১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪
RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 17 Date of Publication- 27 April 2025 Rs. 10.00/-

## পঞ্চায়ত নিৰ্বাচনৰ বাবে বিজেপিৰ সংকল্প পত্ৰ উন্মোচন




ৰঙিলী বাৰ্ত্তাসেৱা- সমাগত পঞ্চায়ত নিৰ্বাচনৰ প্ৰাকক্ষণত বাজপেয়ী ভৱনত ৰাজ্যিক বিজেপিয়ে দলটোৰ সংকল্প পত্ৰ উন্মোচন কৰে।এই সংকল্প পত্ৰত দলটোৱে মুঠ ১৫ টা সংকল্পৰ কথা ঘোষণা কৰিছে। ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াৰ উপস্থিতিত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই উন্মোচন কৰে সংকল্প পত্ৰখন। দলৰ সংকল্প-পত্ৰ, থীম ছং আৰু তথ্যচিত্ৰ মুকলি কৰি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কয় যে ৰাজ্যৰ তৃণমূলৰ সামগ্ৰিক বিকাশ আৰু উন্নয়নৰ বাবে থকা দলীয় দৃষ্টিভংগী এই সংকল্প-পত্ৰৰ জৰিয়তে প্ৰকাশ কৰা হৈছে। সংকল্প-পত্ৰৰ প্ৰতিটো প্ৰতিশ্ৰুতি আখৰে আখৰে পালন কৰিবলৈ বিজেপি প্ৰতিশ্ৰুতিবদ্ধ। এই প্ৰতিশ্ৰুতিসমূহৰ কাৰ্যকৰীকৰণে অসমক নতুন দিগন্তলৈ লৈ যোৱাৰ লগতে সকলো স্বপ্ন বাস্তৱায়িত কৰাৰ পথ প্ৰশস্ত কৰিব। আনহাতে নিজৰ ভাষণত কংগ্ৰেছ দলক তীব্ৰ ভাষাৰে সমালোচনা কৰি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয় যে বিজেপিৰ প্ৰতি ৰাইজৰ মৰম আৰু আশীৰ্বাদ আছে। ইয়াৰ বিপৰীতে কেতবোৰ নিৰ্দিষ্ট অঞ্চল বাদ দি কংগ্ৰেছ দলৰ পৰিচয় এই নিৰ্বাচনে নিশ্চিহ্ন কৰি দিব। কেইখনমান জিলাত আৰু নিৰ্দিষ্ট আৰেষ্টনীৰ মাজৰ পৰা কংগ্ৰেছ দল ওলাই আহিব নোৱাৰে। পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছক আমি সম্পূৰ্ণৰূপে পৰাভূত কৰিব পাৰিম। যোৱা এসপ্তাৰ নিৰ্বাচনী প্ৰচাৰৰ পৰাই এই কথা স্পষ্ট হৈ পৰিছে। এই নিৰ্বাচনৰ ফলাফলে ছেপ্টেম্বৰ মাহৰ বিটিচি নিৰ্বাচন আৰু অহা বৰ্ষৰ মাৰ্চ-এপ্ৰিল মাহত অনুষ্ঠিত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ স্পষ্ট পটভূমি নিৰ্মাণ কৰিব পৰা যাব। ২০১৬ চনত বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটে অসমৰ শাসনলৈ অহাৰ পিছত প্ৰধানমন্ত্ৰী আৱাস যোজনা, কনকলতা মহিলা সন্মান যোজনা আদি আঁচনিৰ জৰিয়তে গ্ৰামাঞ্চলৰ বিকাশৰ কাৰণে বিভিন্ন কাম-কাজ কৰাৰ প্ৰচেষ্টা গ্ৰহণ কৰা হৈছিল। পৰৱৰ্তী ২০২১ চনৰ পৰা অসমৰ গ্ৰাম্য জীৱনক উজ্জীৱিত কৰাৰ বাবে ৰাজ্য চৰকাৰে দলৰ নীতি আৰু আদৰ্শক আগত ৰাখি নিৰৱচ্ছিন্নভাৱে কাম কৰি আহিছে।

(আঠপৃষ্ঠাত চাওক)

## ৫১ হাজাৰ যুৱক-যুৱতীক নিযুক্তি-পত্ৰ বিতৰণ প্ৰধানমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভিডিঅ' কনফাৰেঞ্চিংযোগে 'ৰোজগাৰ মেলা' সম্বোধন কৰি ৫১ হাজাৰ যুৱক-যুৱতীক নিযুক্তি-পত্ৰ বিতৰণ কৰে। অনুষ্ঠানৰ ভাষণত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে নতুনকৈ নিযুক্তি লাভ কৰা সকলৰ অন্যতম হৈছে কৰ্তব্য ৰাষ্ট্ৰৰ অৰ্থনৈতিক কাঠামোক সুদৃঢ়কৰণ, আভ্যন্তৰীণ নিৰাপত্তাক শক্তিশালীকৰণ, আধুনিক আন্তঃগাঁথনি নিৰ্মাণত অৰিহণা যোগোৱা আৰু শ্ৰমিকৰ জীৱনৰ পৰিৱৰ্তন সাধন কৰা। নতুনকৈ নিযুক্ত লাভ কৰাসকলে যি আন্তৰিকতাৰে নিজৰ দায়িত্ব পালন কৰে, সেই কাৰ্যই ভাৰত উন্নত ৰাষ্ট্ৰ হোৱাৰ যাত্ৰাত ইতিবাচক প্ৰভাৱ পেলাব। তেওঁ যুৱক-যুৱতীসকলক নিজৰ কৰ্তব্য পালন কৰিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰী মোদীয়ে পুনৰ কয় যে এখন ৰাষ্ট্ৰৰ প্ৰগতি আৰু সফলতা যুৱক-যুৱতীসকলৰ ওপৰত নিৰ্ভৰশীল। যুৱক-যুৱতীসকলে ৰাষ্ট্ৰ নিৰ্মাণত সক্ৰিয়ভাৱে অৰিহণা যোগোৱা মাত্ৰকে দেশৰ উন্নয়ন তৃৰান্বিত হয় আৰু বিশ্ব মঞ্চত স্বীকৃতি লাভ কৰে। ভাৰতৰ যুৱক-যুৱতীসকলে নিষ্ঠা আৰু উদ্ভাৱনৰ জৰিয়তে বিশ্বক আমাৰ অপৰিসীম সম্ভাৱনাক প্ৰদৰ্শন কৰিছে। চৰকাৰে গ্ৰহণ কৰা প্ৰতিটো পদক্ষেপতে দেশৰ যুৱক-যুৱতীসকলৰ বাবে কৰ্মসংস্থাপন আৰু আত্মনিয়োগৰ সুযোগ অব্যাহত থকাটো নিশ্চিত কৰিছে। স্কিল ইণ্ডিয়া, ষ্টাৰ্টআপ ইণ্ডিয়া আৰু ডিজিটেল ইণ্ডিয়াৰ দৰে পদক্ষেপসমূহে যুৱক-যুৱতীসকলৰ বাবে নতুন সুযোগ সৃষ্টি কৰিছে। এই অভিযানসমূহৰ জৰিয়তে চৰকাৰে ভাৰতৰ যুৱক-যুৱতীসকলক তেওঁলোকৰ প্ৰতিভা প্ৰদৰ্শনৰ বাবে এখন মুকলি মঞ্চ প্ৰদান কৰিছে। এনে প্ৰচেষ্টাসমূহৰ ফলস্বৰূপে এই দশকত ভাৰতৰ যুৱক-যুৱতীসকলে প্ৰযুক্তি, তথ্য আৰু উদ্ভাৱনৰ ক্ষেত্ৰত ৰাষ্ট্ৰখনক আগুৱাই নিছে। প্ৰসংগক্ৰমে তেওঁ ইউপিআই, অ'এনডিচি আৰু জিইএম (চৰকাৰী ই-মাৰ্কেট প্লেচ)ৰ দৰে ডিজিটেল প্লেটফৰ্মসমূহৰ সফলতাত আলোকপাত কৰে।

(দহ পৃষ্ঠাত চাওক)

## পাকিস্তানক সমৰ্থন কৰি কংগ্ৰেছ নেতাসহ ৬জনক গ্ৰেপ্তাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- পেহেলগামৰ নৰসংহাৰৰ প্ৰসংগত পাকিস্তানক সমৰ্থন কৰি অসম আৰক্ষীৰ হাতত ধৰা পৰিছে ইজনৰ পিছত সিজন দেশদ্ৰোহী। সামাজিক মাধ্যমত বিতৰ্কিত মন্তব্য কৰি ৰাষ্ট্ৰদ্ৰোহৰ অপৰাধত অসম আৰক্ষীয়ে আৰু ৬ জনক গ্ৰেপ্তাৰ কৰিছে। ইয়াৰ লগে লগে গ্ৰেপ্তাৰ হোৱা ধৃত 'দেশদ্ৰোহী'ৰ সংখ্যা হ'লগৈ ১৫জন। য'ত আছে ধিঙৰ এ আই ইউ ডি এফৰ বিধায়ক আমিনুল ইছলামো। অসম আৰক্ষীয়ে শেহতীয়াকৈ ওৰাঙৰ ৩৯ নম্বৰ পাঁচনৈ ছেফাং ব্লক কংগ্ৰেছৰ সভাপতি বিমল মাহাতোক গ্ৰেপ্তাৰ কৰে। ওৰাং আৰক্ষীয়ে ২৫ এপ্ৰিলৰ নিশা নিজ গৃহৰ পৰাই গ্ৰেপ্তাৰ কৰে বিমল মাহাতোক। ভাৰতীয় ন্যায় সংহিতাৰ ১১৩(৩)/১৫২/১৯৬/১৯৭(১)/৩৫২/৩৫৩ নং ধাৰাৰ অধীনত ওৰাং থানাত ৩০/২৫ নম্বৰত এক গোচৰ ৰুজু হৈছে কংগ্ৰেছ নেতা তথা আৰটিআই কৰ্মী বিমল মাহাতোৰ বিৰুদ্ধে। ফেচবুকত দেশবিৰোধী প'ষ্ট দি গ্ৰেপ্তাৰ গুৱাহাটীত বসবাস কৰা

(দহ পৃষ্ঠাত চাওক)

# মাটিত মিহলাই দিয়া হ'ল পাঁচ দুৰ্ধৰ্ষ সন্ত্ৰাসবাদীৰ বাসগৃহ



ৰঙিলী বাৰ্ত্তাসেৱা- জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে তীব্ৰ অভিযান চলাইছে। পেহেলগাম নৰসংহাৰত জড়িত দুই সন্ত্ৰাসবাদীৰ বাসগৃহ সেনাই ধ্বংস কৰাৰ পিছত পুনৰ পাঁচ দুৰ্ধৰ্ষ সন্ত্ৰাসবাদীৰ বাসগৃহ ধ্বংস কৰে। লস্কৰ-ই-তৈবাৰ দুৰ্ধৰ্ষ ক'মাণ্ডাৰসহ পাঁচ সন্ত্ৰাসবাদীৰ বাসগৃহ বুলড'জাৰেৰে ভাঙি পেলায়। কেন্দ্ৰীয়শাসিত অঞ্চলটোৰ ছ'পিয়ান, কুলগাম আৰু পুলৱামাত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে এই পদক্ষেপ লৈছে চৰকাৰে। ছ'পিয়ানৰ ছটিপাৰা গাঁৱত লস্কৰ-ই-তৈবাৰ ক'মাণ্ডাৰ শ্বাহিদ আহমেদ কুট্টেৰ বাসগৃহ ভাঙি পেলায়। বিগত ৩-৪ বছৰ ধৰি লস্কৰ-ই-তৈবাৰ ক'মাণ্ডাৰ কুট্টে সন্ত্ৰাসবাদী কাৰ্যকলাপত জড়িত থকাৰ লগতে ৰাষ্ট্ৰবিৰোধী অভিযানৰ পৰিকল্পনা কৰি আহিছে। আনপিনে কুলগামৰ মাতালাম অঞ্চলত জাহিদ আহমেদ নামৰ দুৰ্ধৰ্ষ সন্ত্ৰাসবাদীৰ বাসগৃহটোও ভাঙি পেলায় আৰক্ষীয়ে। পুলৱামাৰ মুৰান অঞ্চলত সন্ত্ৰাসবাদী আহছান উল হকৰ বাসগৃহ বোমাৰে উৰুৱাই দিয়ে। ২০১৮ চনৰ পৰা পাকিস্তানত সন্ত্ৰাসবাদৰ প্ৰশিক্ষণ লৈ অলপতে কাশ্মীৰ উপত্যকালৈ আহিছিল। আনহাতে লস্কৰ-ই- তৈবাৰ সক্ৰিয় সদস্য এহছান আহমেদ শেখ আৰু হেৰিছ আহমেদৰ বাসগৃহটোও বোমাৰে উৰুৱাই দিয়ে সেনাই। উল্লিখিত পাঁচ সন্ত্ৰাসবাদীৰ বাসগৃহ ধূলিৰ সৈতে মিলাই দি সেনাই সন্ত্ৰাসবাদৰ বিৰুদ্ধে চৰকাৰে গ্ৰহণ কৰা কঠোৰতম অভিযানক আগবঢ়াই নিয়ে। উল্লেখ্য যে শুক্ৰবাৰে পেহেলগামৰ আক্ৰমণকাৰী সন্ত্ৰাসবাদী আদিল হুছেইন থ'কাৰ, আছিফ শেখৰ বাসগৃহ ভাঙি পেলোৱা হৈছিল। আনহাতে জম্মু-কাশ্মীৰৰ প্ৰান্তে প্ৰান্তে সেনা আৰু আৰক্ষীৰ যৌথ অভিযান তীব্ৰ হৈ উঠাত সন্ত্ৰাসবাদীৰ সৈতে সংঘৰ্ষও বৃদ্ধি পাইছে। অভিযানৰ সময়ত সন্ত্ৰাসবাদীৰ সৈতে নিৰাপত্তা বাহিনীৰ সংঘৰ্ষ হৈ আছে। কুলগামৰ গুদ্দাৰ বনা-ঞ্চলত নিৰাপত্তা বাহিনী আৰু সন্ত্ৰাসবাদী গোটৰ মাজত তুমুল সংঘৰ্ষ হৈছে। তথ্য মতে, দুই সন্ত্ৰাসবাদীক ঘেৰি ধৰি নিৰাপত্তা বাহিনীয়ে অভিযান চলাওঁতেই এই সংঘৰ্ষ হৈছে। পেহেলগামৰ নৰসংহাৰৰ পিছতে জম্মু-কাশ্মীৰত ১৪ দুৰ্ধৰ্ষ সন্ত্ৰাসবাদীক চিনাক্ত কৰি আৰক্ষীয়ে এই সন্ত্ৰাসবাদীক দেখিলেই গুলীওৱাৰ নিৰ্দেশ দিছে। স্থানীয় বাসিন্দাসকলক এই সন্ত্ৰাসবাদীকেইটাৰ সন্ধেদ পালে আৰক্ষী আৰু সেনাক তথ্য অৱগত কৰিবলৈও আহ্বান জনাইছে। জম্মু-কাশ্মীৰ আৰক্ষীয়ে চিহ্নিত কৰি অভিযান আৰম্ভ কৰা ১৪ স্থানীয় সন্ত্ৰাসবাদীকেইটাৰ বয়স ২০ৰ পৰা ৪০ বছৰৰ ভিতৰত। এই সন্ত্ৰাসবাদীকেইটাই পাকিস্তানৰ পৰা অহা সন্ত্ৰাসবাদীক জম্মু-কাশ্মীৰত যিকোনো সন্ত্ৰাসবাদী কাৰ্যকলাপ সংঘটিত কৰাত সহযোগ কৰি আহিছে। জম্মু-কাশ্মীৰ আৰক্ষীয়ে চিনাক্ত কৰা এই ১৪ সন্ত্ৰাসবাদীৰ ভিতৰত হিজবুল মুজাহিদীন, লস্কৰ-ই-তৈবাৰ আৰু জইচ ই মহম্মদৰ সন্ত্ৰাসবাদী আছে। হিজবুল মুজাহিদীনৰ সৈতে তিনিটা, লস্কৰ-ই-তৈবাৰ সৈতে আঠটা আৰু জইচ-ই মহম্মদৰ সৈতে তিনিটা সন্ত্ৰাসবাদী জড়িত হৈ আছে। সন্ত্ৰাসবাদীকেইটাৰ নাম হৈছে আদিল ৰেহমান ডেন্টু, আছিফ আহমেদ শেখ, আহছান আহমেদ শেখ, হেৰিছ নাজিৰ, আমিৰ নাজিৰ ৱানি, য়াৱাৰ আহমেদ ভাট, আছিফ আহমেদ খান্দাই, নাছিৰ আহমেদ ৱানি, ছাহিদ আহমেদ কুট্টে, আমিৰ আহমেদ ডৰ, আদনান ছাফি ডৰ, জুবেৰ আহমেদ ৱানি, হাৰুন ৰছিদ গানাই আৰু জাকিৰ আহমেদ গানি। এই আটাইকেইটা সন্ত্ৰাসবাদী নিষিদ্ধঘোষিত সংগঠনকেইটাৰ সদস্য। জম্মু-কাশ্মীৰৰ পুলৱামা, ছ'পিয়ান, অনন্তনাগ, কুলগাম আদি জিলাত উল্লিখিত সন্ত্ৰাসবাদীকেইটা বিগত ২-৩ বছৰ ধৰি সক্ৰিয় হৈ আছে। ইয়াৰে কেইটামান সন্ত্ৰাসবাদীয়ে পাক অধিকৃত কাশ্মীৰত নিষিদ্ধ সন্ত্ৰাসবাদী সংগঠনৰ শিবিৰত

*(দহ পৃষ্ঠাত চাওক)*

# বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীৰহৈ নিৰ্বাচনী প্ৰচাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতীয় জনতা পাৰ্টীৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই চাবুৱা - লাহোৱাল বিধান সভা সমষ্টিৰ চাবুৱা -পুলুঙা গাওঁ পঞ্চায়তৰ অন্তৰ্গত বেতমেলা ৰাজহুৱা প্ৰেক্ষাগৃহত নিৰ্বাচনী সভাত উপস্থিত থাকি মিত্ৰজোঁটৰ প্ৰাৰ্থী সকলক ভোট প্ৰদান কৰি জয়যুক্ত কৰিবলৈ আহ্বান জনায়। ৰাজ্যিক সভাপতি গৰাকীয়ে বৰ্তমান ৰাজ্য আৰু কেন্দ্ৰ চৰকাৰে জনসাধাৰণৰ উন্নতি আৰু ৰাজ্যখনৰ উন্নয়নৰ বাবে কৰা বিভিন্ন কাম কাজৰ ওপৰত আলোকপাত কৰা লগতে বৰ্তমান ৰাজ্যখনত এক প্ৰকাৰ বিৰোধী শূণ্য হৈ যোৱা বুলি নিজৰ ভাষণত উল্লেখ কৰে। কংগ্ৰেছ আৰু এ আই ডি এফে কোনো কোনো অঞ্চলতহে জীয়াই আছে যদিও অন্য ৰাজনৈতিক দল সমূহৰ কোনো অস্তিত্ব নাই বুলি কটাক্ষ কৰে। এই নিৰ্বাচনী সভাত চাবুৱা সমষ্টিৰ অগপ বিধায়ক পুনাকন বৰুৱা, লাহোৱাল সমষ্টিৰ বিজেপি বিধায়ক বিনোদ হাজৰিকা উপস্থিত থাকে। এই নিৰ্বাচনী সভাত সহস্ৰাধিক লোক উপস্থিত থকাৰ লগতে নিৰ্বাচনত অৱতীৰ্ণ হোৱা মিত্ৰজোঁটৰ প্ৰাৰ্থীসকল উপস্থিত থাকে।

# পেহেলগামত সন্ত্ৰাসবাদীৰ গুলিত মৃত সকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি



ৰঙিলী বাৰ্ত্তাসেৱা- ২২ এপ্ৰিলত কাশ্মীৰৰ অনন্তনাগ জিলাৰ অন্তৰ্গত পেহেলগামত সন্ত্ৰাসবাদীয়ে অতৰ্কীতে পৰ্যটকৰ ওপৰত যি হত্যালীলা চলাই ছয় গৰাকী নিৰীহ লোকৰ প্ৰাণ কাঢ়ি ললে তাৰ প্ৰতিবাদ তথা মৃত ব্যক্তি সকলক শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে বতাহঘুলি শ্ৰীশ্ৰী গণেশ মন্দিৰ পৰিচালনা সমিতি, বৃহত্তৰ বতাহঘুলি জনশিমলু উন্নয়ন সমিতি, বয়োজ্যেষ্ঠ বিনোদন কেন্দ্ৰ, গণপতি নাট্য সমাজ আৰু বতাহঘুলি ৰঙালী বিহু উদযাপন সমিতি তথা বতাহঘুলি অঞ্চলৰ ৰাইজে বতাহঘুলি শ্ৰী শ্ৰী গণেশ মন্দিৰ প্ৰাংগনত একগোট হয়। প্ৰথমতে পেহেলগামত সন্ত্ৰাসবাদীৰ গুলিত নিহত ব্যক্তি সকলক একোগছি বন্তি জ্বলাই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে । বন্তি প্ৰজ্বলনৰ পিছত সকলো ৰাইজে মৃতকৰ আত্মাৰ সদগতিৰ বাবে ভগৱানৰ ওচৰত এক মিনিট মৌন প্ৰাৰ্থনা কৰে । মৌন প্ৰাৰ্থনাৰ পিছত গণেশ মন্দিৰ ৰভা ঘৰত এক প্ৰতিবাদী সভা অনুস্থিত কৰা হয়। সভাত সকলোৱে একে মূখে এই ঘটনাক গৰিহণা দিয়ে । লগতে সকলোকে সন্ত্ৰাসবাদৰ বিৰুদ্ধে এক গোট হ'বলৈ আহ্বান জনায়। ঘটনাৰ লগত জড়িত প্ৰতিজন সন্ত্ৰাসবাদীক বিচাৰ কৰি কঠোৰৰ পৰা কঠোৰতম শাস্তি প্ৰদান কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক আহ্বান জনায় আৰু " সন্ত্ৰাসবাদ নিপাত যাওক" আদি প্ৰতিবাদী ধ্বনি দিয়ে বুলি আটাইকেইটা অনুষ্ঠানৰ সভাপতি, সম্পাদকে এক প্ৰেছ বিজ্ঞপ্তি যোগে জানিবলৈ দিয়ে ।

# ৰাজ্যপালক গুৱাহাটী প্ৰেছ ক্লাবৰ সাক্ষাৎ



ৰঙিলী বাৰ্ত্তাসেৱা কৰ্মক্ষেত্ৰত সাংবাদিকৰ সুৰক্ষা আইন আৰু কেইবাটাও বিষয় লৈ গুৱাহাটী প্ৰেছক্লাবৰ সভাপতি সুস্মিতা গোস্বামী, উপ সভাপতি যতীন ভাগৱতী আৰু সাংগঠনিক সম্পাদক কিশোৰজ্যোতি শৰ্মাৰ নেতৃত্বত প্ৰেছ ক্লাবৰ এটি প্ৰতিনিধি দলে অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক সাক্ষাৎ কৰি এখন স্মাৰকপত্ৰ প্ৰদান কৰে। সাংবাদিকসকলে বিশেষকৈ কৰ্তব্যৰ সময়ত সন্মুখীন হোৱা সমস্যাসমূহৰ আইনী সুৰক্ষা বিচাৰি স্মাৰকপত্ৰখন প্ৰদান কৰা হয়। ৰাজ্যপালৰ লগত হোৱা আজিৰ সাক্ষাৎকাৰ সৌহাৰ্দ্যপূৰ্ণ আছিল। মহামহিম ৰাজ্যপালে অনুভৱ কৰে যে সাংবাদিকসকলে প্ৰত্যাহ্বানৰ মাজেৰে নিষ্ঠাসহকাৰে কৰ্তব্য পালন কৰে আৰু তেওঁলোকৰ অসুবিধাসমূহৰ প্ৰতি সংশ্লিষ্টসকলে গুৰুত্ব দিয়া উচিত।

# কাশ্মীৰৰ বন্দীপোৰাত ভাৰতীয় সেনা-সন্ত্ৰাসবাদীৰ মাজত গুলীয়াগুলী



ৰঙিলী বাৰ্ত্তাসেৱা- পেহেলগামত নৰসংহাৰ চলোৱা সন্ত্ৰাসবাদীৰ সন্ধানত তীব্ৰতৰ অভিযান চলোৱা নিৰাপত্তা বাহিনী আৰু সন্ত্ৰাসবাদীৰ মাজত কাশ্মীৰৰ বন্দীপোৰাত তুমুল গুলীয়াগুলী চলে। লস্কৰ-ই-তৈবাৰ ম'ষ্ট ৱান্টেড সন্ত্ৰাসবাদী আত্মগোপন কৰি থকাৰ তথ্য লাভ কৰাৰ পাছতেই সেনা আৰু জম্মু-কাশ্মীৰ আৰক্ষীয়ে বন্দীপোৰাত অভিযান চলায়। সেনাৰ অভিযানৰ উমান পাই আত্মগোপন কৰি থকা লস্কৰৰ দুৰ্ধৰ্ষ সন্ত্ৰাসবাদীয়ে প্ৰথমে গুলীচালনা কৰাত অভিযানকাৰী দলেও প্ৰত্যুত্তৰ দিয়ে। দুই পক্ষৰ মাজত তুমুল গুলীয়াগুলীত নিহত হয় ম'ষ্ট ৱান্টেড লস্কৰৰ কমাণ্ডাৰ আলতাফ লাল্লী। আলতাফ লাল্লী লস্কৰ-ই-তৈবাৰ অধীনৰ দ্য ৰেজিষ্টেনছ ফ'ৰ্চৰ সৈতে জড়িত। এই টিআৰএফেই পেহেলগামত নিৰীহ পৰ্যটকৰ ওপৰত বৰ্বৰ আক্ৰমণ চলাই শূন্য দূৰত্বৰ পৰা গুলীয়াই হত্যা কৰিছিল ২৬ পৰ্যটকক। পেহেলগামৰ আক্ৰমণকাৰীৰ বিৰুদ্ধে অভিযান চলাই থকা নিৰাপত্তা বাহিনীয়ে বন্দীপোৰাত লস্কৰৰ দুৰ্ধৰ্ষ কমাণ্ডাৰ আলতাফ লাল্লীক হত্যা কৰি এক সফলতা লাভ কৰিছে। ইপিনে জম্মু-কাশ্মীৰৰ নিয়ন্ত্ৰণৰেখাৰ সমীপত ভাৰতীয় সেনাৰ ঘাটিলৈ লক্ষ্য কৰি গুলীচালন কৰিছে পাকিস্তানী সেনাই। চিৰবৈৰী (দহ পৃষ্ঠাত চাওক)

# ৪ দিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ বিধায়ক আমিনুল ইছলামক



ৰঙিলী বাৰ্ত্তাসেৱ- জম্মু-কাশ্মীৰৰ পেহেলগামৰ সন্ত্ৰাসবাদীৰ বৰ্বৰ হত্যাকাণ্ড সন্দৰ্ভত বিতৰ্কিত মন্তব্য কৰি ৰাষ্ট্ৰদ্ৰোহৰ গোচৰত গ্ৰেপ্তাৰ হোৱা ধিং সমষ্টিৰ এআইইউডিএফৰ বিধায়ক আমিনুল ইছলামক নগাঁও আদালতত হাজিৰ কৰোৱাত আৰক্ষীৰ আবেদনমৰ্মে আদালতে তেওঁক চাৰি দিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰে। স্মৰ্তব্য যে নগাঁও আৰক্ষীয়ে ধৃত বিধায়ক আমিনুলক জেৰা কৰি অধিক তথ্য আহৰণৰ বাবে সাত দিনলৈ আৰক্ষীৰ জিম্মাত বিচাৰি আদালতত আবেদন কৰিছিল যদিও আদালতে অধিক জেৰাৰ বাবে বিধায়কজনক চাৰি দিনলৈ আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰে। আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰাৰ পাছত তেওঁক পুনৰ নগাঁও সদৰ আৰক্ষী থানালৈ লৈ অহা হয়। উল্লেখ্য যে পেহেলগামৰ নাৰকীয় হত্যালীলা এদিনৰ পাছতেই এআইইউডিএফৰ ধিং সমষ্টিৰ বিধায়ক আমিনুল ইছলামে পেহেলগামত সংঘটিত পাক মদতপুষ্ট (দহ পৃষ্ঠাত চাওক)

# তিনি দশক ধৰি সন্ত্ৰাসবাদক প্ৰতিপালন কৰি অহাৰ কথা স্বীকাৰ পাকিস্তান প্ৰতিৰক্ষা মন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- সন্ত্ৰাসবাদক সহায় কৰি আহিছে বুলি স্বীকাৰ কৰিবলৈ বাধ্য হ'ল পাকিস্তান। জম্মু-কাশ্মীৰৰ পেহেলগামত পাকিস্তানী সন্ত্ৰাসবাদীয়ে নিৰীহ ২৬ পৰ্যটকক বৰ্বৰতাৰে হত্যা কৰাৰ পাছতেই ভাৰতে পাকিস্তানৰ বিৰুদ্ধে যুদ্ধংদেহী স্থিতি গ্ৰহণ কৰিছে। সন্ত্ৰাসবাদক লৈ দুমুখীয়া নীতি লৈ থকা সন্ত্ৰাসবাদৰ পৃষ্ঠপোষক পাকিস্তানে পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণত জড়িত নাই বুলি প্ৰাৰম্ভিক সময়ত স্বীকাৰোক্তি দিছিল যদিও দেশখনৰেই প্ৰতিৰক্ষা মন্ত্ৰী খাৱাজা আছিফে পাকিস্তানে সন্ত্ৰাসবাদক সহায় কৰি আহিছে বুলি অকপট স্বীকাৰোক্তি দিয়ে। স্কাই নিউজৰ সৈতে হোৱা সাক্ষাৎকাৰত প্ৰতিৰক্ষা মন্ত্ৰী খাৱাজা আছিফে পাকিস্তানে সন্ত্ৰাসবাদক সমৰ্থন কৰা, সহযোগ কৰা, প্ৰশিক্ষণৰ সুযোগ দিয়া আৰু সন্ত্ৰাসবাদী সংগঠনক বিত্তীয় সাহায্য দিয়াৰ দীঘলীয়া ইতিহাস আছে বুলি স্বীকাৰ কৰে। বিগত দশক ধৰি পাকিস্তানে সন্ত্ৰাসবাদক দমন কৰাৰ বাবে স্থিতি গ্ৰহণ কৰা বুলি ভাৰতৰ লগতে বিশ্ব সম্প্ৰদায়ক আভুৱা-ভাঁৰি থকা বিষয়টোও প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে উদঙাই দিলে। প্ৰতিৰক্ষা মন্ত্ৰী খাৱাজাই কয়- প্ৰায় তিনি দশক ধৰি আমেৰিকা যুক্তৰাষ্ট্ৰৰ কাৰণে আমি অতি ঘৃণনীয় কাম কৰি আছোঁ। পশ্চিমীয়া দেশ বিশেষকৈ ব্ৰিটেইনক লৈও আমি ভুল কৰিছোঁ আৰু তাৰ ভুক্তভোগী। যদি আমি ছোভিয়েট ইউনিয়নৰ বিৰুদ্ধে যুদ্ধত অংশ নল'লোঁহেঁতেন তথা ৯/১১ৰ পাছত সন্ত্ৰাসবাদক সমৰ্থন নকৰিলোঁহেঁতেন, (দহ পৃষ্ঠাত চাওক)

# গৌতম গম্ভীৰলৈ মৃত্যুৰ ভাবুকি



ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতীয় ক্ৰিকেট দলৰ মুখ্য প্ৰশিক্ষক গৌতম গম্ভীৰক মৃত্যুৰ ভাবুকি জেহাদী সংগঠনৰ। পেহেলগামৰ আক্ৰমণৰ দিনাই ই-মেইলযোগে গৌতম গম্ভীৰক সন্ত্ৰাসবাদী সংগঠন আইছিছ কাশ্মীৰে মৃত্যুৰ ভাবুকি দিছে। ২২ এপ্ৰিলত আইছিছ কাশ্মীৰৰ পৰা দুটাকৈ ই-মেইলেৰে মৃত্যুৰ ভাবুকি পোৱাৰ পিছত গৌতম গম্ভীৰে দিল্লী আৰক্ষীক অভিযোগ দাখিল কৰিছে। ইতিমধ্যে গোচৰ ৰুজু কৰি দিল্লী আৰক্ষীয়ে গৌতম গম্ভীৰৰ নিৰাপত্তা ব্যৱস্থা বৃদ্ধি কৰিছে। পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক কঠোৰ ভাষাৰে নিন্দা জনোৱা ক্ৰিকেট দলৰ মুখ্য প্ৰশিক্ষক গম্ভীৰক ই-মেইলযোগে জেহাদী সংগঠনটোৱে ভাবুকি দিয়া বিষয়টোক অতি গুৰুত্বসহকাৰে লৈছে দিল্লী আৰক্ষীয়ে। গম্ভীৰৰ লগতে তেওঁৰ পৰিয়ালৰ নিৰাপত্তা নিশ্চিত কৰিবলৈ আৰক্ষীক অৱগত কৰোৱাৰ পিছতে নিৰাপত্তা ব্যৱস্থা বৃদ্ধি কৰা হৈছে।

# সন্ত্ৰাসবাদীয়ে অকল্পনীয় পৰিণাম ভুগিব লাগিবঃ প্ৰধানমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- পাক সন্ত্ৰাসবাদীয়ে জম্মু-কাশ্মীৰৰ পেহেলগামত দেশী-বিদেশী পৰ্যটকক বৰ্বৰতাৰে হত্যালীলা চলোৱাৰ পিছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰথমবাৰৰ বাবে ৰাজহুৱাকৈ ইয়াৰ পৰিণাম পাকিস্তানে ভুগিব লাগিব বুলি হুংকাৰ দিয়ে। বিহাৰৰ মধুবানীত ৰাষ্ট্ৰীয় পঞ্চায়তীৰাজ দিৱসত অংশ লৈ প্ৰধানমন্ত্ৰী মোদীয়ে পাকিস্তানক কঠোৰ সকীয়নি দি কয়- পেহেলগামৰ নৃশংস হত্যাকাণ্ডৰ আঁৰত যিসকল আছে, তেওঁলোকক কঠোৰ শাস্তি বিহা হ'ব। পাক সন্ত্ৰাসবাদীয়ে অকল্পনীয় পৰিণাম ভুগিব লাগিব। সন্ত্ৰাসবাদ সমূলঞ্চে নিৰ্মূলৰ হুংকাৰ দি প্ৰধানমন্ত্ৰী মোদীয়ে পুনৰ কয় যে ভাৰতে প্ৰতিটো সন্ত্ৰাসবাদী আৰু তাৰ পিছত থকাসকলক চিনাক্ত কৰি য'তেই নাথাকক কিয়, তাতেই বিচাৰি উলিয়াই শাস্তি বিহিব। তদুপৰি সন্ত্ৰাসবাদীক লালন-পালন কৰা ভূমি ধূলিৰে উৰুৱাই দিয়াৰ সময়ো আহিছে বুলি কয় প্ৰধানমন্ত্ৰী মোদীয়ে। বিশাল সমাবেশ সম্বোধন (আঠপৃষ্ঠাত চাওক)





# পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণত নিহত লোকক শেষ শ্ৰদ্ধাঞ্জলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ

ৰঙিলী বাৰ্তাসেৱা- সন্ত্ৰাসবাদীয়ে পেহেলগামত বৰ্বৰতাৰে পৰ্যটকক হত্যা কৰাৰ প্ৰতিশোধ বিচাৰি দেশজুৰি সন্ত্ৰাসবাদী হিংস্ৰতাৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত হৈছে। এই প্ৰতিবাদতেই ফুটি উঠিছে তেজৰ সলনি তেজ লাগে, গুলীৰ পৰিৱৰ্তে গুলী ফুটাব লাগে। হিন্দু নে মুছলমান, প্ৰশ্ন সুধি সন্ত্ৰাসবাদীয়ে পৰ্যটকক হত্যা কৰা জঘন্য কাণ্ডক দেশবাসীয়ে একমুখে গৰিহণা তথা ধিক্কাৰ দিয়াৰ সমান্তৰালকৈ সন্ত্ৰাসবাদীক সমূলঞ্চে নিঃশেষ কৰাৰো দাবী জনাইছে। নিৰীহৰ তেজেৰে ফাকু খেলা পাক সন্ত্ৰাসবাদীক কঠোৰ হাতেৰে দমন কৰিবলৈ দেশৰ সৰ্বস্তৰত জোৰাৰ উঠিছে। মঙলবাৰে ভূ-স্বৰ্গ কাশ্মীৰৰ মিনি ছুইজাৰলেণ্ডখ্যাত পেহেলগামত পাক সন্ত্ৰাসবাদীয়ে নিৰ্বিচাৰ গুলীচালনা কৰি দেশী-বিদেশী ২৬ পৰ্যটকক হত্যা কৰাৰ কেইঘণ্টামান পিছতেই কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ শ্ৰীনগৰত উপস্থিত হৈছিল। শ্ৰীনগৰত উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হৈ পৰিস্থিতি সন্দৰ্ভত আলোচনা কৰাৰ অন্তত বুধবাৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহে সন্ত্ৰাসবাদীয়ে ৰক্তাক্ত কৰা ঘটনাস্থলী পেহেলগামলৈ যায়। সন্ত্ৰাসবাদীৰ বৰ্বৰ আক্ৰমণত প্ৰাণ হেৰুওৱা নিৰীহ লোকক গৃহমন্ত্ৰী অমিত শ্বাহে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে নিহতৰ পৰিয়ালক সাক্ষাৎ কৰে। প্ৰাণ হেৰুওৱা লোকক গৃহমন্ত্ৰী শ্বাহে শ্ৰদ্ধাঞ্জলি জনোৱাৰ পিছত ঘটনাস্থলী পেহেলগামৰ বাইচ'ৰানলৈ যায় গৃহমন্ত্ৰীগৰাকী। ঘটনা সন্দৰ্ভত তদন্ত আৰম্ভ কৰা 'নিয়া' আৰু সেনাৰ দলেও ঘটনাস্থলী নিৰীক্ষণ কৰে। মঙলবাৰে সন্ত্ৰাসবাদীৰ আক্ৰমণত প্ৰাণ হেৰুওৱা পৰ্যটকৰ মৃতদেহ বুধবাৰে পুৰা শ্ৰীনগৰৰ আৰক্ষীৰ নিয়ন্ত্ৰণ কক্ষলৈ অনা হয়। এই নিয়ন্ত্ৰণ কক্ষতেই পুষ্পাঞ্জলি দি গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰাণ হেৰুওৱা লোকলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তদুপৰি অনন্তনাগৰ চিকিৎসালয়লৈ গৈ আহতসকলৰো স্বাস্থ্যৰ বুজ লয় গৃহমন্ত্ৰী শ্বাহে। পেহেলগামৰ বাইচ'ৰান অঞ্চলটো আকাশমাৰ্গেৰে পৰিদৰ্শন কৰি

( নপৃষ্ঠাত চাওক)

# কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদৰ আক্ৰমণ অতিকৈ নিন্দনীয়ঃ এবিভিপি




ৰঙিলী বাৰ্তাসেৱা- শেহতীয়াকৈ কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদীৰ আক্ৰমণৰ ঘটনাৰ বিৰুদ্ধে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদে সমগ্ৰ অসমৰ বিভিন্ন অঞ্চলত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰে। ধৰ্মৰ ভিত্তিত পাকিস্তানৰ পৃষ্ঠপোষকতাত লালিত পালিত সন্ত্ৰাসবাদী সংগঠনে ভূস্বৰ্গ কাশ্মীৰত ফুৰিবলৈ যোৱা লোক সকলৰ ওপৰত কৰা আন্দোলন বিদ্যাৰ্থী পৰিষদে তীব্ৰ ভাষাৰে গৰিহণা দিয়ে। গুৱাহাটী মহানগৰীৰ গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ৰ সন্মুখত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ তৰফৰ পৰা এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰাৰ লগতে গুৱাহাটী মহাবিদ্যালয়ত নিহত সকলৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। ঠিক একে দৰে ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়, বঙাইগাঁও বিশ্ববিদ্যালয়, লামডিং মহাবিদ্যালয়,

( আঠপৃষ্ঠাত চাওক)

# ৪ সন্ত্ৰাসবাদীৰ আলোকচিত্ৰ প্ৰকাশ কৰিলে নিৰাপত্তা সংস্থাই



ৰঙিলী বাৰ্তাসেৱা- জম্মু-কাশ্মীৰৰ পেহেলগামত পৰ্যটকক বৰ্বৰতাৰে হত্যা কৰা নৰঘাতকক চিনাক্ত কৰা হৈছে। নিৰাপত্তা সংস্থাই এই নৰসংহাৰ চলোৱা ৪ সন্ত্ৰাসবাদীৰ ফটো মুকলি কৰি দিছে। নিয়াসহ কেইবাটাও তদন্তকাৰী সংস্থাই পেহেলগামৰ ভয়াৱহ সন্ত্ৰাসবাদী আক্ৰমণৰ তদন্ত আৰম্ভ কৰিছে। প্ৰাৰম্ভিক তথ্যত পেহেলগামৰ আক্ৰমণত স্থানীয়ভাৱে নিযুক্ত দুই সন্ত্ৰাসবাদীক লগত লৈ সন্দেহযুক্ত পাকিস্তানী সন্ত্ৰাসবাদীয়ে এই নৰসংহাৰ চলায়। স্বয়ংক্ৰিয় ৰাইফল এ কে-৪৭ৰে অতিকমেও ২০ মিনিট ধাৰাসাৰ গুলীচালনা কৰি পেহেলগামত পৰ্যটকৰ ওপৰত হত্যালীলা চলোৱা সন্ত্ৰাসবাদীৰ দলটোত দুই স্থানীয় আৰু দুই পাকিস্তানী সন্ত্ৰাসবাদী জড়িত থকা বুলি তদন্তকাৰী সংস্থাই প্ৰকাশ কৰিছে। স্বয়ংক্ৰিয় অস্ত্ৰ লৈ পাঠানী পোছাক পৰিধান কৰা এটা সন্ত্ৰাসবাদীৰ আলোকচিত্ৰও লাভ কৰিবলৈ সক্ষম হৈছে নিৰাপত্তা বাহিনীয়ে। আক্ৰমণৰ সময়ত এটা বা দুটা সন্ত্ৰাসবাদীয়ে ব'ডীকেম লৈ এই হত্যালীলাৰ দৃশ্যও ৰেকৰ্ডিং কৰিছিল। 'নিয়া'ই ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰাৰ লগতে ফৰেনছিক বিশেষজ্ঞৰ দলে গুলীৰ কাৰ্টিজৰ নমুনা সংগ্ৰহ কৰিছে। পেহেলগামত পৰ্যটকৰ ওপৰত নিষ্ঠুৰ আক্ৰমণ সন্দৰ্ভত এই ঘটনাৰ পৰা সৌভাগ্যক্ৰমে প্ৰাণৰক্ষা পৰা পৰ্যটকে প্ৰকাশ কৰা মতে, আক্ৰমণকাৰী সন্ত্ৰাসবাদীয়ে সেনাৰ পোছাক পৰিধান কৰাৰ লগতে অত্যাধুনিক অস্ত্ৰ আৰু যোগাযোগ সঁজুলিৰ ব্যৱহাৰ কৰিছিল। প্ৰাৰম্ভিক তদন্ত মতে,

( নপৃষ্ঠাত চাওক)

# পাকিস্তানৰ বিৰুদ্ধে কেইবাটাও বৃহৎ সিদ্ধান্ত গ্ৰহণ কেন্দ্ৰীয় চৰকাৰৰ

ৰঙিলী বাৰ্তাসেৱা- পেহেলগামত সন্ত্ৰাসবাদীৰ বৰ্বৰ আক্ৰমণৰ পিছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ চৰকাৰী বাসভৱনত সুৰক্ষা সম্পৰ্কীয় কেবিনেট কমিটীৰ গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। প্ৰধানমন্ত্ৰী মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত চিচিএছৰ বৈঠকত চিৰবৈৰী ৰাষ্ট্ৰ সন্ত্ৰাসবাদৰ পৃষ্ঠপোষক পাকিস্তানৰ বিৰুদ্ধে কঠোৰ কূটনৈতিক পদক্ষেপ গ্ৰহণৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। পেহেলগামত সন্ত্ৰাসবাদীৰ আক্ৰমণত পাক সন্ত্ৰাসবাদী জড়িত থকাৰ পৰিপ্ৰেক্ষিততেই চিচিএছৰ বৈঠকত পাকিস্তানৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ সিদ্ধান্ত লয়। কেবিনেট বৈঠকৰ সিদ্ধান্ত অনুসৰি দশক দশক পুৰণি সিন্ধু জল চুক্তি অনিৰ্দিষ্টকাললৈ স্থগিত ৰখা হ'ব। আটাৰী সীমান্ত চকী বন্ধ ৰখা হ'ব। বৈধ অনুমোদনৰ সৈতে যিসকলে সীমান্ত পাৰ হৈছে, তেওঁলোকে ২০২৫ চনৰ ১ মে'ৰ পূৰ্বেই সেই পথেৰেই উভতি যাব লাগিব। পাকিস্তানী নাগৰিকসকলক ভাৰত ভ্ৰমণৰ অনুমতি দিয়া নহ'ব। পাকিস্তানী নাগৰিকৰ বাবে অনুমোদিত এছপিইএছ ভিছা বাতিল কৰা হৈছে। এছপিইএছ ভিছাৰ অধীনত বৰ্তমান ভাৰতত থকা যিকোনো পাকিস্তানী নাগৰিকে ৪৮ ঘণ্টাৰ ভিতৰত ভাৰত ত্যাগ কৰিব লাগিব। ইপিনে নতুন দিল্লীস্থিত



পাকিস্তানী উচ্চায়ুক্তৰ প্ৰতিৰক্ষা, সামৰিক, নৌসেনা আৰু বায়ুসেনাৰ উপদেষ্টাসকলক পাৰছনা নন গ্ৰাটা ঘোষণা কৰা হৈছে। তেওঁলোকে এসপ্তাহৰ ভিতৰত ভাৰত ত্যাগ কৰিব লাগিব। তেনেদৰে ভাৰতেও ইছলামাবাদস্থিত উচ্চায়ুক্তৰ কাৰ্যালয়ৰ কৰ্মচাৰীৰ সংখ্যা হ্ৰাস কৰিব। লক্ষণীয় যে পাকিস্তানী নাগৰিকক চাৰ্ক ভিছা দিয়া নহ'ব। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, বৈদেশিক মন্ত্ৰী এছ জয়শংকৰ, ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভাল আৰু বিভিন্ন বিভাগীয় শীৰ্ষ আমোলাই অংশগ্ৰহণ কৰা বৈঠকখন প্ৰায় দুঘণ্টা ধৰি চলে। বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক পেহেলগামৰ আক্ৰমণৰ লগতে ইয়াৰ পিছৰ পৰিস্থিতিৰ বিতং ব্যাখ্যা আগবঢ়ায় গৃহমন্ত্ৰী শ্বাহে। মন কৰিবলগীয়া যে মঙলবাৰে দিন-দুপৰতে পেহেলগামত পাক সন্ত্ৰাসবাদীয়ে পৰ্যটকৰ ওপৰত ভয়াৱহ আক্ৰমণ চলোৱাৰ পৰিপ্ৰেক্ষিতত ছৌদি আৰব ভ্ৰমণ চমু কৰি বুধবাৰে প্ৰধানমন্ত্ৰী নতুন দিল্লীত উপস্থিত হয়। ইয়াৰ পিছতেই প্ৰধানমন্ত্ৰীৰ সকলো কাৰ্যসূচী বাতিল কৰি সন্ধিয়া তেওঁৰ চৰকাৰী বাসভৱনত চিচিএছৰ গুৰুত্বপূৰ্ণ বৈঠকত অংশ লয়। মন কৰিবলগীয়া যে পেলেহগামৰ সন্ত্ৰাসবাদী আক্ৰমণক লৈ কেন্দ্ৰীয় চৰকাৰে যি সিদ্ধান্ত লয় তাক বিৰোধী দলসমূহে পূৰ্ণ সমৰ্থন জনাব বুলি প্ৰকাশ কৰিছে।

# জম্মু-কাশ্মীৰৰ পেহেলগামত পৰ্যটকৰ ওপৰত সন্ত্ৰাসবাদীৰ আক্ৰমণ



ৰঙিলী বাৰ্ত্তাসেৱা- জম্মু-কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদী আক্ৰমণ। প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য উপভোগেৰে হাঁহি-ধেমালি কৰি থকা সময়তে মঙলবাৰে দুপৰীয়া সন্ত্ৰাসবাদীৰ গোট এটাই জম্মু-কাশ্মীৰৰ পেহেলগামত পৰ্যটকৰ ওপৰত জধেমধে গুলীচালনা কৰে। সেনাৰ পোছাক পৰিহিত সন্ত্ৰাসবাদীৰ এই নৰসংহাৰত দেশী-বিদেশী ২৬ পৰ্যটকে প্ৰাণ হেৰুৱায়। ২-৩জনীয়া সন্ত্ৰাসবাদীৰ গোট এটাই পৰ্যটকে বাহৰ পতা ৰিজৰ্টত প্ৰৱেশ কৰি প্ৰথমে পৰ্যটকৰ পৰা পৰিচয় বিচাৰে। কি ধৰ্মৰ সেয়াও জানি লৈ পাছলৈ জধেমধে গুলীচালনা কৰে। সন্ত্ৰাসবাদীৰ নিৰ্বিচাৰ গুলীচালনাত দুই বিদেশীসহ ২৬ পৰ্যটকে প্ৰাণ হেৰুওৱাৰ বিপৰীতে ডজনতকৈ অধিক পৰ্যটক আহত হৈছে। নিহতৰ ভিতৰত ভাৰতীয় নৌসেনাৰ এজন বিষয়াও আছে। পেহেলগামৰ বাইচৰানৰ ৰিজৰ্ট এখনত ভূস্বৰ্গৰ প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰি পৰিয়ালৰ সৈতে হাঁহি-ধেমালি কৰি থাকোঁতেই সন্ত্ৰাসবাদীৰ গোট এটাই পৰ্যটকৰ জীৱনলৈ অমানিশা কঢ়িয়াই আনে। সন্ত্ৰাসবাদীৰ এই আক্ৰমণত দেশৰ বিভিন্ন প্ৰদেশৰ বিশেষকৈ গুজৰাট, কৰ্ণাটক, তামিলনাডু, মহাৰাষ্ট্ৰ, ওড়িশাকে ধৰি কেইবাখনো ৰাজ্যৰ পৰ্যটক বলি হৈছে। পৰ্যটকৰ ওপৰত সন্ত্ৰাসবাদীৰ গোট এটাই ৩-৫ মিনিট ধৰি জধেমধে গুলীচালনা কৰি উক্ত অঞ্চলৰ পৰা নিৰ্বিঘ্নে আঁতৰি যায়। এই গুলীচালনাৰ ফলত কেইবাজনো পৰ্যটক হতাহত হৈছে। আহতসকলক অনন্তনাগ জিলা হাস্পতালত ভৰ্তি কৰোৱা হৈছে। সন্ত্ৰাসবাদীয়ে আক্ৰমণ কৰি পলাই যোৱা ঘটনাস্থলীত ইতিমধ্যে সেনা আৰু আৰক্ষী উপস্থিত হৈ উদ্ধাৰ অভিযান চলোৱাৰ সমান্তৰালকৈ উক্ত অঞ্চলত আক্ৰমণকাৰীক বিচাৰি অভিযান আৰম্ভ কৰিছে। ভাৰতীয় সেনাৰ ভিক্টৰ ফৰ্চ, স্পেচিয়েল ফৰ্চ, জেকেপিএছঅ'ডি আৰু চিআৰপিএফৰ ১১৬ বেটেলিয়নে যৌথভাৱে আক্ৰমণকাৰীক বিচাৰি অঞ্চলটোত অভিযান তীব্ৰতৰ কৰি তুলিছে। সন্ত্ৰাসবাদীৰ আক্ৰমণৰ বলি হোৱা পৰ্যটকে দাবী কৰা মতে সন্ত্ৰাসবাদীকেইটাই ওচৰলৈ আহি প্ৰথমে তেওঁলোকক হিন্দু নে মুছলমান বুলি সোধে আৰু ইয়াৰ পিছতেই ধৰ্ম সন্দৰ্ভত নিশ্চিত হৈ জধেমধে গুলীয়াবলৈ ধৰে। মহিলা পৰ্যটক এগৰাকীয়ে আক্ৰমণৰ পূৰ্বে সন্ত্ৰাসবাদীয়ে তেওঁৰ ধৰ্মৰ পৰিচয় সুধি স্বামীক গুলীয়াই হত্যা কৰে বুলি আৰক্ষীৰ (নপৃষ্ঠাত চাওক)

# ঘোষণা হ'ল কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষাৰ ফলাফল




ৰঙিলী বাৰ্ত্তাসেৱা- কেন্দ্ৰীয় লোকসেৱা আয়োগে অসামৰিক সেৱাৰ পৰীক্ষা ২০২৪ৰ ফলাফল ঘোষণা কৰিছে। ভাৰতীয় প্ৰশাসনিক সেৱা, ভাৰতীয় বৈদেশিক সেৱা, ভাৰতীয় আৰক্ষী সেৱা আৰু আন কেন্দ্ৰীয় সেৱা (এ আৰু বি)ৰ পৰীক্ষাৰ ফলাফলত ১,০০৯জন প্ৰাৰ্থী উত্তীৰ্ণ হৈছে। চিএছই ২০২৫ৰ ফলাফলত শীৰ্ষস্থান লাভ কৰিছে শক্তি ডুবেই। শীৰ্ষ ১০টা স্থানৰ ভিতৰত চাৰিগৰাকী মহিলা আৰু ৬গৰাকী পুৰুষ আছে। শক্তি ডুবেই শীৰ্ষস্থান লাভ কৰাৰ বিপৰীতে দ্বিতীয় স্থান লাভ কৰিছে হৰ্ষিতা গোয়েল, তৃতীয় স্থান লাভ কৰি ডংগ্ৰে আৰ্চিত পৰাগ, চতুৰ্থ স্থান শ্বাহ মাৰ্গি চিৰাগ, পঞ্চম স্থান আকাশ গাৰ্গ, ষষ্ঠ স্থান কোমল পুনিয়া, সপ্তম স্থান আয়ুসী বাঞ্চাল, অষ্টম স্থান ৰাজকৃষ্ণ শ্বাহ, নৱম স্থান আদিত্য বিক্ৰম আগৰৱাল আৰু দশম স্থান লাভ কৰিছে মায়ংক ত্ৰিপাঠীয়ে। মুঠ উত্তীৰ্ণ ১, ০০৯ প্ৰাৰ্থীৰ ভিতৰত সাধাৰণ শ্ৰেণীৰ ৩৩৫, ইডব্লিউএছৰ ১০৯, অ'বিচি ৩১৮, এছচি ১৬০ আৰু এছটি ৮৮জন আছে। উত্তীৰ্ণ এই প্ৰাৰ্থীসকলক দেশৰ প্ৰখ্যাত প্ৰতিষ্ঠান ৰায় বাহাদুৰ শাস্ত্ৰী নেচনেল একাডেমী অৱ এডমিনিষ্ট্ৰেচনত প্ৰশিক্ষণ দিয়া হ'ব। আইএএছৰ বাবে উক্ত প্ৰতিষ্ঠানত প্ৰশিক্ষণ দিয়াৰ বিপৰীতে আইপিএছৰ বাবে চৰ্দাৰ বল্লভ ভাই পেটেল নেচনেল পুলিচ একাডেমীত প্ৰশিক্ষণ দিয়া হ'ব। উল্লেখ্য যে ২০২৪ৰ ছেপ্টেম্বৰত ইউপিএছচি চিএছই ২০২৫ পৰীক্ষা অনুষ্ঠিত কৰা হৈছিল। ২০২৫ৰ জানুৱাৰী আৰু এপ্ৰিলত পাছনেল পৰীক্ষা লোৱা হৈছিল।

# ইউপিএছচিত ৪৭৪ সংখ্যক স্থানত জিলিকিল নগাঁৱৰ ভাস্বত শইকীয়া



ৰঙিলী বাৰ্ত্তাসেৱা- মঙলবাৰে ঘোষণা কৰা হয় কেন্দ্ৰীয় লোকসেৱা আয়োগৰ ২০২৪ বৰ্ষৰ ফলাফল। কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষাত ৪৭৪ সংখ্যক স্থান দখলেৰে অসমৰ নাম উজলালে নগাঁৱৰ ভাস্বত শইকীয়াই। নগাঁও চহৰৰ ভাস্বতে অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰিছিল। তেওঁ নগাঁৱৰ বাল্য ভৱনত প্ৰাথমিক শিক্ষা গ্ৰহণ কৰাৰ পাছত পঞ্চম শ্ৰেণীৰ পৰা নগাঁও (নপৃষ্ঠাত চাওক)

# গুৱাহাটী উচ্চ ন্যায়ালয়ত বোমাতংক




ৰঙিলী বাৰ্ত্তাসেৱা- শ্বপিং মলৰ পাছত এইবাৰ গুৱাহাটী উচ্চ ন্যায়ালয়ক বোমাৰে উৰুৱাই দিয়াৰ ভাবুকি। মঙলবাৰে দিনৰ প্ৰায় ১২ বজাত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ই-মেইলত এই ভাবুকিভৰা বাৰ্তা অহাৰ পাছতেই একপ্ৰকাৰ হুৱাদুৱাৰ সৃষ্টি হয়। মুহূৰ্তৰ ভিতৰতে সৃষ্টি হোৱা আতংকময় পৰিস্থিতিৰ পাছতেই তৎপৰ হৈ পৰে আৰক্ষী-নিৰাপত্তাৰক্ষীৰ দল। জানিব পৰা মতে ই-মেইল বাৰ্তাটোত, 'বোমাৰে উৰুৱাই দিয়া হ'ব হাইকৰ্ট' বুলি উল্লেখ আছিল। লগে লগেই ন্যায়ালয়ৰ তৰফৰ পৰা বিষয়টো মহানগৰ আৰক্ষীক অৱগত কৰা হয়। খবৰটো পোৱাৰ পাছতেই পাণবজাৰ, লতাশিল, ফাঁচীবজাৰ আৰক্ষীৰ এটা বৃহৎ দলে ন্যায়ালয়লৈ গৈ তন্ন তন্নকৈ তালাচী অভিযান চলায়। অসম আৰক্ষীৰ বিশেষ শাখা, বোম স্কোৱাডসহ কাৰিকৰী বিশেষজ্ঞ সকলেও বোমা বিচাৰি আদালতৰ বিভিন্ন স্থানত তন্ন তন্নকৈ অভিযান চলায়। খবৰটো বতাহৰ গতিত বিয়পি পৰাৰ লগে লগেই এক আতংকময় পৰিস্থিতিৰ সৃষ্টি হয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ চৌহদতো। প্ৰাণৰ মমতাত (নপৃষ্ঠাত চাওক)

# ৰন্ধন গেছৰ প্ৰতিটো চিলিণ্ডাৰৰ মূল্য হ্ৰাস হ'বঃমুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ অভিযান আৰম্ভ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। ধেমাজি আৰু ডিগবৈত প্ৰচাৰ অভিযান আৰম্ভ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কেইবাটাও বৃহৎ ঘোষণা কৰে। বিশাল নিৰ্বাচনী প্ৰচাৰ সমাৰেশ দুখনত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে চলিত এপ্ৰিল মাহৰ পৰা প্ৰতিগৰাকী বিদ্যুৎ গ্ৰাহকৰ বিদ্যুৎ মাচুল প্ৰতি ইউনিটত ৰ টকাকৈ হ্ৰাস কৰা হৈছে। বিদ্যুৎ গ্ৰাহকসকলে অহা মাহত ইয়াৰ সুফল লাভ কৰিব। মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে অহা অক্টোবৰ-নৱেম্বৰ মাহত পুনৰ প্ৰতি ইউনিট বিদ্যুতত এটকাকৈ মাচুল হ্ৰাসৰো চিন্তা কৰিছে। সেইদৰে মহিলাসকলক অনাগত দিনত বিনামূলীয়াকৈ ম'বাইল দিয়াৰো ইচ্ছা থকাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বিহালীত মহিলা উদ্যমিতা আঁচনিৰ ধন বিতৰণৰ সময়ত এগৰাকীয়ে সেই ধনেৰে ম'বাইল কিনাৰ চিন্তা কৰিছিল। মহিলা (নপৃষ্ঠাত চাওক)



# অৰুণাচল প্ৰদেশ ভ্ৰমণ যাত্ৰাৰ কাহিনী ( The land of rising sun )

**শৈলেন কুমাৰ, মিৰ্জা**

ভ্ৰমণ মানুহৰ জীৱনৰ এটা অবিচ্ছেদ্য অংগ হোৱাটো উচিত কাৰণ ভ্ৰমণ সুলভ মন এটা থাকিলে এজন ব্যক্তিয়ে জীৱনত নতুন- নতুন অভিজ্ঞতাৰ লগতে ভ্ৰমণ কৰা অঞ্চল সমূহৰ সংস্কৃতি, অঞ্চলৰ সমূহৰ মানুহৰ আচাৰ-ব্যৱহাৰ, কলা-কৃষ্টি, অৰ্থনৈতিক, সামাজিক দিশৰ জ্ঞান আহৰণ কৰিব পাৰে । ভ্ৰমণ সুলভ মন এটাৰ্লৈ এইবাৰ মই আৰু মোৰ সহধৰ্মিনীয়ে আমাৰ অসমৰে চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশ ভ্ৰমণ কৰিবলৈ মন মেলিলোঁ । দৈনন্দিন ব্যস্ততা লগতে যান্ত্ৰিকতাৰ পৰা আঁতৰি অলপ নিজস্ব ঠাইডোখৰৰ পৰা দূৰত ভ্ৰমণ কৰিবলৈ পালে দেহমন সন্তুষ্ট হয় ।বিশেষকৈ পাহাৰ পৰ্বতৰে ভৰি থকা প্ৰকৃতিৰ মনোমোহা সৌন্দৰ্য উপভোগ কৰিবলৈ পালে জীৱনৰ প্ৰতি আৰু বেলেগ অভিযোগ নাথাকে।ভবামতে কাম অৰুণাচল যাবলৈ হ'লে বাছ, টেক্সি অথবা হেলিকপ্তাৰযোগে অৰুণাচল যাব পৰা যায় ।আমি বাছেৰে যোৱাটো সিদ্ধান্ত কৰিলোঁ । ISBT ৰ পৰা পোনপটীয়াকৈ অৰুণাচল প্ৰদেশৰ টাৱাং চহৰলৈ যোৱাটো থিৰাং কৰিলোঁ । ১৬ এপ্ৰিল ২০২৫ বুধবাৰে দিনৰ ১২ বজাত Zoinab travel নামৰ বাছখনত উঠিলো, টিকট অনলাইন কটা গৈছিল, কিন্তু অনলাইনল যেনেকৈ দেখুওৱা হৈছিল বাছখনত উঠি উল্লেখ পৰ্যাপ্ত সাসুবিধা খিনি ভালদৰে অনুভৱ কৰিব পৰা নগল, যাহওক ইমান আৰু ভাবিবলৈ নাই লক্ষ্য আমাৰ ভ্ৰমণহে, জালুকবাৰীত আমি দুয়োজনে বাছত উঠিলোঁ তাৰপাছত আৰম্ভ হ'ল আমাৰ অৰুণাচল ভ্ৰমণ যাত্ৰা । গোটেই ৰাতি বাছযাত্ৰা কৰি কোনোমতে আমি ১৭ এপ্ৰিল বৃহস্পতিবাৰে ৰাতি পুৱা দিনৰ ৰৰ বজাত অৰুণাচল প্ৰদেশৰ টাৱাং চহৰত উপস্থিত হওঁ । টাৱাং চহৰত পদাৰ্পণ কৰিয়েই অনুভৱ কৰিবলৈ পাৰিছিলোঁ আমি অনুমান কৰাতকৈ চহৰখনৰ সৌন্দৰ্য অত্যধিক বেছি। অগণন পাহাৰপৰ্বত, বিশুদ্ধ বতাহ, বিশুদ্ধ অক্সিজেন আৰু ঠাণ্ডা পৰিৱেশ। বাছৰ পৰা নামি মই পোনপ্ৰথমে টেক্সি ষ্টেণ্ডত গলোঁ তাত গৈ মই এখন টেক্সি দুদিনৰ বাবে অৰুণাচল ঘুৰাৰ বাবে বুক কৰিলোঁ, টেক্সি চালকজন তাৰে স্থানীয় বাসিন্দা মাতকথাই ভালেই পালোঁ । যদি আপুনি হোটেলৰ পৰা টেক্সি বুক কৰে তেতিয়া আপুনি অলপ বেছি টকা ভৰিব লগা হব পাৰে কাৰণ তাত হোটেলৰ কমিচন জড়িত হৈ থাকে। আমি আগতেই হোটেল বুকিং কৰি ৰাখিছিলোঁ কাৰণ এইটো সময়ত পৰ্যটক সকলৰ যথেষ্ট সমাগম ঘটে অৰুণাচল প্ৰদেশত হোটেল পোৱাটো অসুবিধা হয় । টেক্সিত উঠি হোটেল পালোঁ, হোটেলত অলপ সময় মুখহাত ধুই, অৰুণাচল ভ্ৰমণৰ প্ৰথমদিনৰ কাৰ্যসূচী হিচাপে টাৱাং চহৰৰ ১৯৬২ চনত ভাৰত আৰু চীনৰ মাজত যুদ্ধত শ্বহীদ হোৱা বীৰজোৱান সকলৰ স্মৃতিস্থল ৱাৰ মেমোৰিয়েল পৰিদৰ্শন কৰোঁ সেই স্থানত আবেলি দৈনিক এখন লাইট শ্ব হয় ভাৰতীয় সেনাবাহিনীৰ উদ্যোগত কিন্তু আমি "শ্ব" টো উপভোগ কৰাৰ পৰা বঞ্চিত হ'লো কাৰণ যোৱাৰাতিৰ দূৰণিবটীয়া যাত্ৰাৰ ভাগৰ আৰু অহাকালিৰ কাহিলীপুৱাৰ দ্বিতীয়দিনৰ যাত্ৰা । তাৰপাছত উৰজিলিং মঠ আৰু বৌদ্ধ পাৰ্ক পৰিদৰ্শন কৰি প্ৰথমদিনৰ ভ্ৰমণ কাৰ্যসূচী সমাপ্ত কৰি হোটেল প্ৰস্থান কৰোঁ ।সন্ধিয়া সময়ত টাৱাং চহৰখনত ঠাণ্ডাৰ প্ৰকোপ বৃদ্ধি হয় । ঠাণ্ডাত ঘুৰা-ফুৰাৰ অভ্যস্ত নহলে হোটেলৰ ভিতৰতে সোমাই থকাই মংগল কাৰণ অতিপাত ঠাণ্ডাৰ ফলত আপুনি শাৰীৰিকভাৱে অসুস্থ হৈ পৰিব পাৰে । হোটেলৰ প্ৰত্যেকটো কোঠালিটে বৈদ্যুতিক হিটাৰ লগোৱা আছে তাৰমানে আপুনি কল্পনা কৰিব পাৰে তাত কিমান ঠাণ্ডাৰ প্ৰকোপ হবলৈ পাৰে।ৰাতিৰ আহাৰ সাঁজ সোনকালে গ্ৰহণ কৰি আমি জিৰণি ললোঁ কাৰণ ৰাতিপুৱাৰ যাত্ৰা দীঘলীয়া। ১৮ এপ্ৰিল শুক্ৰবাৰ অৰুণাচলত দ্বিতীয় দিন ৰাতিপুৱা সোনকালে তৈয়াৰ হৈ ব্ৰেকফাষ্ট কৰি ৭.০০ বজাত টেক্সিত উঠিলোঁ আজিৰ যাত্ৰা হিমালয় পৰ্বতমালাৰ সমুদ্ৰপৃষ্ঠৰ ১৫২০০ ফুট উচ্চতাত অৱস্থিত ভাৰত-চীনৰ সীমান্ত বুমলা পাছ । শ্বাসপ্ৰশ্বাসজনিত ৰোগত আক্ৰান্ত লোক সেই ঠাই পৰিদৰ্শন কৰাৰ পৰা বিৰত থকাই ভাল কাৰণ তাত জলবায়ুৰ তাপমান -১২ ডিগ্ৰী চেলচিয়াচ লৈ অৱনমিত হয়। সময়সাপেক্ষে তাপমান আৰু অৱনমিত হোৱাৰ আকাংক্ষা থাকে।বুমলা পাছ সমুদ্ৰপৃষ্ঠৰ পৰা ৪৬০০ মিটাৰ ১৫২০০ ফুট উচ্চতাত অৱস্থিত অৰুণাচল প্ৰদেশৰ ভাৰত-চীনৰ সীমান্তত অৱস্থিত বৰফৰ পৰ্বতৰে আবৰি থকা সুন্দৰ মনোমোহা ঠাই।

**আগলৈ....**


# তই দিয়া চেনেহ



**মেৰী বৰদলৈ, নগাঁও**

তই দিয়া
চেনেহৰ টোপোলাটো
আজিও
আটোমটোকাৰীকৈ
সামৰি ৰাখিছোঁ
মন গ'লেই
খুলি চাওঁ
যদি মলঙি যায়
উৰলি যাবলৈ
দিয়া নাই
মুঠেও
কলিজাৰ এটুকুৰা
ঠাইত
ৰাখিছোঁ ওলোমাই
ব'হাগ আহিলেই
সুবাস বিয়পে
চেনেহবোৰ
প্ৰাণৱন্ত হৈ উঠে
তই জাননে চেনাই
তই দিয়া চেনেহবোৰে
কাজলীপাতি ধৰে
আইৰ বুকুৰ
উদাস বোৰ
তই বেজাৰ নকৰিবি
দেই
তই দিয়া চেনেহবোৰ
আছে
আটোমটোকাৰীকৈ
মন গ'লেই
কথা পাতে সখীৰ সৈতে
নাচে কিৰিলি পাৰি
মাতে
তই দিয়া চেনেহবোৰে...

# এগৰাকী নাৰী আৰু সেন্দুৰ



**নমিতা দাস, শুৱালকুছি, শান্তিতোল**

এজনী ছোৱালীয়ে জীৱনৰ কেবাটাও স্তৰ অতিক্ৰম কৰাৰ পিছত বিয়াত বহিবলৈ উপযুক্ত হয়। বিয়াৰ পিছত এগৰাকী নাৰীয়ে পূৰ্ণতা লাভ কৰে হিন্দু সমাজত বিয়াৰ মুল অলঙ্কাৰ হৈছে সেন্দুৰ। সেন্দুৰ প্ৰাপ্তিয়ে মহিলা গৰাকীৰ পূৰ্ণতা আনে। সেন্দুৰ হৈছে বিবাহিতা নাৰীৰ এক আপূৰুগীয়া সম্পদ। এই সম্পদ অবিহনে যেন নাৰী গৰাকী আধৰুৱা হৈ ৰ'য়। সেন্দুৰ হৈছে এগৰাকী নাৰীৰ সন্মান, মৰম আৰু সাহসিকতাৰ প্ৰতীক।

সেন্দুৰ আৰু এগৰাকী বিবাহিতা নাৰী এটা মুদ্ৰাৰ ইপিঠি -সিপিঠি। গতিকে হৃদয়ৰ সমষ্ট মৰম শ্ৰদ্ধা আৰু প্ৰেমেৰে আঁকোৱালী লয় সেন্দুৰ খিনি দেহৰ শীৰ্ষ স্থানত জিলিকাই ৰাখে। এই সৌন্দৰ্যই নাৰী গৰাকীৰ শিৰ উজ্বলাই। প্ৰত্যক গৰাকী নাৰীয়ে সেন্দুৰ খিনিৰ যিমান কষ্ট সহ্য কৰি হ'লেও হৃদয়ৰ নিভৃত কোনৰ পৰা যিমান কষ্ট ধৰ্য্য আৰু সহ্য সাহসেৰে নিজৰ সেন্দুৰৰ মৰ্য্যদা ৰাখে। আচলতে নাৰী সকলে নিজৰ কৰ্তব্য আৰু দায়িত্ব বুলি গণ্য কৰে।

শিৰৰ সেন্দুৰে কঢ়িয়াই আনে এগৰাকী নাৰী আৰু এজন পুৰুষৰ মিলনৰ সেতু হিন্দু সকলে বিশ্বাস কৰে সতোতা জন্ম ধৰি দুয়ো গৰাকী এক লগ লৈ এই মিলনৰ সেতু অতিক্ৰম কৰে। এক অভিন্ন ভাষাৰে বুজাব নোৱাৰা বন্ধন। দুখন হিয়া এক হৈ সামাজিক বান্ধোনেৰে বান্ধ খাই পৰে এহাল যুৱক যুৱতী, তেওঁলোকে এজনে আনজনৰ নিৰব ভাষা বুজি উঠে, হৃদয়ৰ স্পন্দনত অনুভৱ কৰে দুয়োগৰাকীৰ হাঁহি, কান্দোন আৰু বেথা। সমাজত এই সেন্দুৰে চিনাকী কৰাই দিয়ে পতি -পত্নী ৰূপে। বিবাহৰ আগলৈ যি গৰাকী লৰা ছোৱালী একলগ হ'লেই সমাজে অন্য দৃষ্টি নিক্ষেপ কৰে, সেই একেখন সমাজে একে দুগৰাকী মানুহক সন্মানীয় কৰি তোলে সেন্দুৰৰ জৰিয়তে।

# অলকা বুজৰ বৰুৱাৰ “দ্ৰৌপদী” উপন্যাসৰ এক চমু অবলোকন

যুগান্ত দাস,
ভৱানীপুৰ, বজালী




মহাভাৰতৰ এক উল্লেখযোগ্য নাৰী চৰিত্ৰ হৈছে “দ্ৰৌপদী”। এই বিচিত্ৰ চৰিত্ৰটোকে অবলম্বন কৰি কবি, ঔপন্যাসিক অলকা বুজৰ বৰুৱাই লিখি উলিয়াইছে “দ্ৰৌপদী” নামৰ উপন্যাসখন। তেখেতৰ এই উপন্যাসখন ইতিমধ্যে বাংলা ভাষালৈ অনুবাদ কৰা হৈছে উপন্যাসখন বাংলা ভাষালৈ অনুবাদ কৰিছে কলকাতাৰ প্ৰখ্যাত বাংলা আৰু অসমীয়া অনুবাদক বাসুদেৱ দাসে।

অলকা বুজৰ বৰুৱাই “দ্ৰৌপদী” উপন্যাসখনত এক নতুন দৃষ্টিভংগীৰে মহাভাৰতৰ দ্ৰৌপদী চৰিত্ৰটোক উপস্থাপনৰ প্ৰয়াস কৰিছে। দ্ৰৌপদীৰ মনত উদয় হোৱা খং, ক্ষোভক এগৰাকী সাধাৰণ নাৰীৰ দৃষ্টিভংগীৰে অনুধাৱন কৰি ঔপন্যাসিকে উপন্যাসখনত তুলি ধৰিছে। ৰাজকুঁৱৰী দ্ৰৌপদীক, এগৰাকী সাধাৰণ নাৰীৰ ৰূপত তুলি ধৰাটোৱে উপন্যাসখনৰ এক বিশেষ দিশ। দ্ৰৌপদীৰ জীৱনলৈ নামি অহা দুৰ্যোগবোৰ মূৰ পাতি লোৱাৰ বাহিৰে যেন তাইৰ ওচৰত আন একো উপায় নাছিল। অনাকাংক্ষিত ভাৱে তাইৰ জীৱনত ঘটি যোৱা ঘটনাবোৰে তাইক কৰি তুলিছিল এগৰাকী প্ৰতিবাদী নাৰী। যাৰ প্ৰকাশ উপন্যাসখনৰ কেইবাঠাইতো দেখা যায়। সময়ে সময়ে দ্ৰৌপদী যুধিষ্ঠিৰৰ স্বভাৱ চৰিত্ৰ দেখি সন্দিহান হৈ পৰিছে। সেয়ে ঔপন্যাসিকে এঠাইত দ্ৰৌপদীৰ মুখেৰে কৈছে - “ হে ধৰ্মৰাজ, নিজৰ অনুজৰ পত্নীক নিজৰ স’তে ভগাই লোৱাটো কেনে ধৰ্ম ? ধৰ্মৰ ৰক্ষক হৈ ধৰ্মৰ কোনটো দৃষ্টিকোণেৰে এনে এটা কথা আপুনি মানি ল’লে? নে আপোনাৰো মোক পত্নী হিচাপে পোৱাৰ হাবিয়াস এটা বুকুৰ কোনোবা এঠাইত লুকাই আছিল, যাক আপুনি বিসৰ্জন দিব নোৱাৰিলে ? মোৰ ৰূপ যৌৱনে আপোনাৰ দেহতো জগাই তুলিছে নেকি আদিম শিহৰণ এটা যাক আপুনি নেওচা দিব নোৱাৰিলে।” এনেধৰণে দ্ৰৌপদী উপন্যাসখনত দ্ৰৌপদী চৰিত্ৰৰ মাজেৰে যুধিষ্ঠিৰলৈ দ্ৰৌপদীয়ে প্ৰশ্ন কৰা দেখুওৱা হৈছে। যুধিষ্ঠিৰৰ প্ৰতি থকা ক্ষোভে দ্ৰৌপদীক অস্থিৰ কৰি তুলিছে।

নিজৰ প্ৰতিবাদী মনোভাৱ আৰু প্ৰতিশোধ পৰায়ণ মনোবৃত্তিয়ে দ্ৰৌপদীক এগৰাকী সাধাৰণ নাৰীৰ পৰা অসাধাৰণ নাৰীলৈ উত্তৰণ ঘটাইছে। নিজক কৰা অপমানৰ প্ৰতিশোধ ল’বলৈ দ্ৰৌপদী ব্যগ্ৰ হৈ পৰা দেখা গৈছে। অৰ্জুনৰ প্ৰতিও দ্ৰৌপদীৰ মনত ক্ষোভৰ উদগীৰণ নঘটাকৈ থকা নাই। দ্ৰৌপদীৰ হৃদয়ত থকা অৰ্জুনৰ প্ৰতি যি প্ৰেম সেয়া এগৰাকী প্ৰেমিকাৰ প্ৰেমিকৰ প্ৰতি থকা অফুৰন্ত প্ৰেমৰ নিদৰ্শন হিচাপে চিত্ৰিত কৰিছে ঔপন্যাসিকে। যেতিয়া অৰ্জুনে পুনৰ বিবাহ কৰায় তেতিয়া দ্ৰৌপদী আশাহত হৈ পৰে। এইখিনিতে দ্ৰৌপদীৰ অসহায় অৱস্থাটোক সুন্দৰ ভাৱে উপস্থাপন কৰিছে।


আনহাতে কুন্তী চৰিত্ৰটোৰ মাজেৰে ঔপন্যাসিকে চিৰন্তন মাতৃৰ ছবি এখন দাঙি ধৰিছে। দ্ৰৌপদী আৰু কুন্তীৰ মাজেৰে আদৰ্শ শাহু বোৱাৰীৰ চিত্ৰ চিত্ৰিত কৰিছে উপন্যাসখনত। বোৱাৰী হ’লেও কুন্তীয়ে দ্ৰৌপদীক মাতৃত্বৰ উমেৰে আবৰি ৰাখিছে। আনহাতে দ্ৰৌপদীয়েও কুন্তীৰ ওচৰত নিজৰ মাতৃক বিচাৰি পাইছে। পুত্ৰৰ নৈতিক স্খলনত এগৰাকী মাতৃয়ে ভোগা অন্তৰ্দন্দ্বক কুন্তীৰ চৰিত্ৰটোৰ মাজেৰে ঔপন্যাসিক অলকা বুজৰ বৰুৱাই সুন্দৰ ভাৱে প্ৰতিফলিত কৰিছে।

চাবলৈ গ’লে সকলো ফালৰ পৰাই “দ্ৰৌপদী” এখন সৰ্বাংগসুন্দৰ উপন্যাস। পৌৰাণিক নাৰী চৰিত্ৰ এটাক এগৰাকী সাধাৰণ নাৰী ৰূপে অংকণ কৰি ঔপন্যাসিকে নিজৰ দক্ষতাৰ পৰিচয় দাঙি ধৰিছে। উপন্যাসখনৰ বহু ঠাইত ঔপন্যাসিক নিজেই ধৰা দি “দ্ৰৌপদী” চৰিত্ৰটোৰ মাজত একাত্ম হৈ পৰা দেখা যায়। একঘেয়ামী কথনশৈলী বিবৰ্জিত এই উপন্যাসখন। অতিৰঞ্জিত কাহিনী কথনে উপন্যাসখন ভাৰাক্ৰান্ত কৰা নাই। ভাষাৰ প্ৰয়োগত ঔপন্যাসিক সচেতন। উপন্যাসখনৰ ক’তো বাহুল্য বৰ্ণনা নাই। ঔপন্যাসিকে উপন্যাসখনৰ কলেবৰ বৃদ্ধিত গুৰুত্ব নিদি এখন মনোগ্ৰাহী উপন্যাস সৃষ্টিত সততে দৃষ্টি ৰাখি কাহিনী ভাগ আগবঢ়াই নিছে যাৰ বাবে উপন্যাসখন পঢ়ি পাঠকে বিৰক্তিবোধ কৰিব লগা নহয়। যিকোনো গ্ৰন্থ এখনৰ ভাষা শ্ৰুতিমধুৰ হোৱাটো বাঞ্ছনীয়। কাৰণ সাহিত্যত ভাষাৰ মৰ্যদা উল্লেখযোগ্য দিশ। “দ্ৰৌপদী” উপন্যাসৰ ভাষা মাৰ্জিত আৰু ৰুচিপূৰ্ণ।

“দ্ৰৌপদী” উপন্যাসখন বাংলা ভাষালৈ অনুবাদ হোৱাটো ঔপন্যাসিকৰ বাবে এক ডাঙৰ কৃতিত্ব। ঔপন্যাসিকৰ “দ্ৰৌপদী” প্ৰথম উপন্যাস। পৰবৰ্তীসময়ত তেওঁৰ পৰা এনেকুৱা শ্ৰুতিমধুৰ, উচ্চ খাপৰ উপন্যাস পঢ়িব পাম বুলি আশা ৰাখিলো। শেষত এটা কথা ক’ব লাগিব যে ঔপন্যাসিক হিচাপে প্ৰথম খোজতেই অলকা বুজৰ বৰুৱাই সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াতেই তেওঁৰ অধ্যয়নশীলতা আৰু কাহিনী বৰ্ণনাৰ কৌশল প্ৰশংসাৰ যোগ্য।

## ক্ৰমশঃ অস্তিত্বহীনতালৈ

সঞ্জীৱ গগৈ, যোৰহাট



সৰলতাৰ কাচন খুলি
ক্ৰমশঃ জটিলতাত ডুবিব ধৰিছোঁ
শিপাই খামুচিবলৈ পাহৰিছোঁ মাটি
কোন দিনে খোপ নৰৈ উভালি পৰো তাৰ ভৰসা নাই।
অতীতৰ সৰলতাবোৰ ভাল আছিল
অপ্ৰশস্ত নহয় আধুনিকতাও
কিন্তু আধুনিকতাৰ গ্ৰাসত
অতীতক পাহৰি যোৱাটোহে মাৰাত্মক।
অসমীয়াৰ স্বাভিমান, স্বকীয়তা বিনাশৰ আওতাত
ঘাইখুঁটা হাউলিবৰ বেলা
মূধচ ফুটি চালে নাস্তিত্বৰ বৃষ্টিপাত
অসমীয়া সাজো হ’বৰ হ’ল।
স্বকীয়তাৰ বৃক্ষ উভালি নপৰাৰ আগে
শিপা মজবুত কৰ
বৃক্ষ উভালি গ’লে নাথাকিব অস্তিত্ব
জাতি ৰসাতলে যাব।

## সংমিশ্ৰণ

নাজমীনা মজিদ



তুলিকা একমাত্ৰ সন্তান। তাইৰ সাধ্যতকৈও পুত্ৰ সন্তানৰ স’তে প্ৰতিযোগিতা। ল’ৰাই পাৰে ছোৱালীয়ে নোৱাৰাৰ কি আছে। হ’লেও মানুহৰ এটাই কথা এজনীয়ে ছোৱালী ল’ৰা এটা থকা হ’লে। তুলিকা স্বাৱলম্বী হৈও তাৰ সংজ্ঞাত তাই সফল নহয় বুলি কয়, সফল সিদিনাই হ’ব যদি তাৰ মৃত্যুত মানুহে ক’বলৈ বাধ্য হয় ল’ৰা নাথাকিলেও ছোৱালীয়ে নকৰিবলগীয়া কোনো নাই, ছোৱালী সব পাৰে। প্ৰকৃতি নিয়ম পালন কৰিবই লাগিব তুলিকাৰ বিয়া হ’ল। তুলিকা দেউতাই কন্যাদান কৰা সময়ত তুলিকা খন্তেক সময়ৰ বাবে হেৰাই গ’ল নিজৰ সাহসৰ বাটৰ পৰা আৱেগিক বাটত অলপ সময়ৰ বাবে চিঞৰি উঠিল পিতাই অ’ তঁহতক কোনে চাব ! তুলিকাৰ স্বামীয়ে আশ্বাস দিছে তুলু তোৰ দৰে সাহসী ছোৱালী এজনী এনেকুৱা হ’লে কেনেকে হ’ব ! আমি চাম য’ত চাৰিগৰাকী মা-দেউতা থাকিব। সচাঁকৈয়ে, আত্মীয়-স্বজন আলোচনা কৰিব ধৰিলে জোৱাই ভাল হ’লে ছোৱালীক বিয়া দিলে এগৰাকী দায়িত্বৱান পুত্ৰও লাভ কৰা যায়। বৰুৱাহঁত সচাঁকৈয়ে ভাগ্যৱান,ছোৱালীয়ে পায় ৮০-৯০ লক্ষ মাহেকত টকা জোৱাইৰো সমৰ্থন, দায়িত্ব, মৰম শ্ৰদ্ধা শহুৰ-শাহুৰ প্ৰতি আছে আৰু কি লাগে! সেয়েহে, বৰুৱাৰ দৰে প্ৰতিগৰাকী দেউতাকে ছোৱালীক আগেয়ে শিক্ষিতা কৰিব লাগে, স্বাৱলম্বী হ’লে জোৱাই ভাল হ’বই নহ’লেও ভাল হ’বলৈ বাধ্য হ’ব ।

# ৰঙিয়াত অসম সাহিত্য সভাৰ সভাপতি-প্ৰধান সম্পাদকক বিপুল আদৰণী



ৰঙিলী বাৰ্ত্তাসেৱা- অসম সাহিত্য সভাই অসমীয়া ভাষা-সাহিত্যৰ উন্নতি সাধনৰ সেৱাত ব্ৰতী প্ৰতিজন ব্যক্তিক অসম সাহিত্য সভাৰ সভ্যপদ গ্ৰহণ কৰিবলৈ আমি আহ্বান জনাইছো। আমাৰ প্ৰাণ স্পন্দন অসম সাহিত্য সভা প্ৰতিজন অসমীয়াৰ স্বাভিমানলৈ পৰিণত হওক। ১৮ এপ্ৰিলত কামৰূপৰ ৰঙিয়াত অসম সাহিত্য সভাৰ সভাপতি, উপসভাপতি আৰু প্ৰধান সম্পাদকৰ বিশেষ আদৰণী অনুষ্ঠানত অংশগ্ৰহণ কৰি সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে এইদৰে কয়। কামৰূপ জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক তথা অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্যালয়ৰ সাংগঠনিক সম্পাদক ডিম্বেশ্বৰ পাঠকে আঁত ধৰা 'সাহিত্য-আলচ'ত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰা আৰু উপসভাপতি পদুম ৰাজখোৱাই সাহিত্য অনুৰক্তসকলৰ আদৰণী গ্ৰহণ কৰি সমগ্ৰ অসমৰ লগতে কামৰূপতো অসম সাহিত্য সভাৰ ব্যাপক প্ৰসাৰৰ অৰ্থে অধিক শাখা সাহিত্য সভা গঠনৰ পোষকতা কৰে। অসম সাহিত্য সভাৰ কৰ্ণধাৰ সমিতিৰ সদস্য ধীৰেন শৰ্মা, গুৱাহাটী কাৰ্যালয়ৰ সম্পাদক সঞ্জীৱ শৰ্মা, অনুবাদ প্ৰকল্পৰ সঞ্চালক হৃদয়ানন্দ গগৈ, স্বজাতীয় মৈত্ৰী বন্ধনৰ আহ্বায়ক ৰমেন ভৰালী, কেন্দ্ৰীয় কাৰ্যালয়ৰ সচিব অশোক সেনাপতি, কেন্দ্ৰীয় প্ৰচাৰ আহ্বায়ক শংকুসিদ্ধ নাথ, প্ৰাক্তন বিষয়ববীয়া হেমন্ত কলিতা, ববিতা তালুকদাৰ পাঠক, প্ৰফুল্ল ভূঞা, পংকজ কুমাৰ শৰ্মা, ৰঙিয়া শাখা সাহিত্য সভা প্ৰমুখ্যে কেইবাখনো শাখা সাহিত্য সভাৰ বিষয়ববীয়াই কেন্দ্ৰীয় নেতৃত্বক আদৰণী জনাই সাহিত্য আলচত অংশগ্ৰহণ কৰে।

# ডিব্ৰুগড়ত ৫০১ সংখ্যক বীৰাঙ্গণা সতী সাধনী স্মৃতি দিৱস উদযাপন



ৰঙিলী বাৰ্ত্তাসেৱা- অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত সদৌ চুতীয়া জাতি সন্মিলন, অসম, সদৌ চুতীয়া জাতি মহিলা সন্মিলন, অসম চুতীয়া যুৱ সন্মিলন, অসম, সদৌ অসম চুতীয়া ছাত্ৰ সন্থা, ডিব্ৰুগড় জিলা প্ৰশাসন আৰু বৃহত্তৰ গজপুৰীয়াবাসী ৰাইজৰ আতিথ্যত ৫০ৰ সংখ্যক কেন্দ্ৰীয় বীৰাঙ্গণা সতী সাধনী স্মৃতি দিৱস ২১ এপ্ৰিল তাৰিখে মৰাণ গজপুৰীয়া বিহুতলী প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। বীৰাঙ্গণা সতী সাধনী স্মৃতি দিৱস উপলক্ষে আয়োজিত মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসম চৰকাৰৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰাই অসমৰ সাহসী মহিয়সী চুতিয়া নাৰী সতী সাধনীৰ আত্ম বলিদান শ্ৰদ্ধাৰে স্মৰণ কৰাৰ লগতে বুৰঞ্জীত দেশ আৰু জাতিৰ বাবে যিসকল মহীয়সী নাৰীয়ে আত্ম-বলিদান দিছে তেওঁলোকৰ ভিতৰত বীৰাঙ্গণা সতী সাধনী অন্যতম বুলি উল্লেখ কৰে। বীৰাঙ্গণা সতী সাধনীৰ আত্মবলিদানে নাৰী সমাজক মহিয়ান কৰি থৈছে বুলিও মন্ত্ৰী বিমল বৰাই নিজ ভাষণত উল্লেখ কৰে। আনহাতে, মন্ত্ৰী বিমল বৰাই বুৰঞ্জী প্ৰসিদ্ধ চুতিয়াসকল অতি উৎকৃষ্টমানৰ কলা-সংস্কৃতিৰ অধিকাৰী বুলি উল্লেখ কৰি অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত চুতিয়াসকলে অনবদ্য অৱদান আগবঢ়াই আহিছে বুলি তেওঁ কয়। বীৰাঙ্গণা সতী সাধনী বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাপক উপাচাৰ্য ড° জ্যোতিপ্ৰসাদ শইকীয়াই উদ্বোধন কৰা মুকলি সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে লোক সংস্কৃতিৰ সাধক তথা প্ৰতিমা বৰুৱা পাণ্ডে বঁটা প্ৰাপক ড° অনিল শইকীয়া। অনুষ্ঠানত বীৰাঙ্গনা সতী সাধনীৰ এটি প্ৰতিমূৰ্ত্তিৰ উন্মোচন কৰে খোৱাং সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈয়ে। অনুষ্ঠানত "বন্দিতা সাধনী" শীৰ্ষক এখনি স্মৃতি গ্ৰন্থৰ উন্মোচন কৰে ধেমাজি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° বুধিন বৰুৱাই। অনুষ্ঠানত ভালে সংখ্যক গণ্যমান্য ব্যক্তি আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

# পঞ্চায়ত নিৰ্বাচনৰ বাবে বিজেপিৰ

গ্ৰামাঞ্চলৰ পথ, বিদ্যালয়-মহাবিদ্যালয়সমূহ ধুনীয়াকৈ নিৰ্মাণ কৰাৰ লগতে অংগনৱাড়ী কেন্দ্ৰসমূহেও প্ৰাণ পাই উঠিছে। প্ৰত্যেকখন গাঁৱলৈ বিজুলী যোগান সুনিশ্চিত কৰাৰ সমান্তৰালভাৱে গ্ৰামাঞ্চলত সামাজিক আন্তঃগাঁথনি নিৰ্মাণ কৰা হৈছে। আজি গ্ৰামাঞ্চলৰ যুৱক-যুৱতীসকলে আত্মনিৰ্ভৰশীলতাৰ পথ বিচাৰি পাইছে আৰু চৰকাৰী চাকৰিত গ্ৰামাঞ্চলৰ যুৱক-যুৱতীয়ে পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে। গুণোৎসৱৰ দৰে শক্তিশালী কাৰ্যসূচীসমূহে চৰকাৰী খণ্ডৰ শৈক্ষিক প্ৰতিষ্ঠানসমূহক গুণগত মানেৰে আগুৱাই নিবলৈও সক্ষম হৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই তেওঁৰ ভাষণত কয়- বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ দ্বিতীয়টো কাৰ্যকালত অনুষ্ঠিত এই পঞ্চায়ত নিৰ্বাচনত বিজেপিয়ে শক্তিশালী প্ৰদৰ্শন দেখুৱাব পাৰিব। তাৰ ইংগিত ইতিমধ্যে দেখা গৈছে। বহু শতাধিক গাঁও পঞ্চায়তৰ সদস্য বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। আঞ্চলিক পঞ্চায়তত ৰাজনৈতিকভাৱে মনোনয়ন দাখিল কৰি চাৰে তিনিশতকৈ অধিক আঞ্চলিক পৃঞ্চায়তৰ আসনত বিজেপি প্ৰাৰ্থী বিনাপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। তদুপৰি জিলা পৰিষদতো বহুকেইখন আসনত বিজেপিৰ প্ৰাৰ্থী বিনাপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। যোৱা ২১ এপ্ৰিলৰ পৰা নিৰ্বাচনী প্ৰচাৰ অভিযান চলোৱাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- ২০২১ চনৰ বিধানসভা নিৰ্বাচন আৰু ২০২৪ চনৰ লোকসভা নিৰ্বাচনত বিজেপিয়ে ভাল ফল আৰু উন্নত প্ৰদৰ্শন দেখুৱাবলৈ সক্ষম হৈছিল। এইবাৰ তাতকৈ ভাল ফলাফল দলে লাভ কৰিব। প্ৰত্যেক সমষ্টিতেই বছৰি এহেজাৰকৈ মুঠ এক লাখ ২৬ হাজাৰ যুৱক-যুৱতীক আত্মসংস্থাপন দিয়াৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই পদক্ষেপৰ অধীনত ২ লাখ টকাকৈ প্ৰদান কৰিবলগীয়া ধনৰাশিৰ বাবে কোনোধৰণৰ বন্ধকী দিব নালাগে। আত্মনিৰ্ভৰ অভিযানৰ জৰিয়তে যুবক-যুৱতীসকলক আত্মসংস্থাপনৰ দিশেৰে আগুৱাই নিয়া হ'ব। ৰাজ্য চৰকাৰে গ্ৰামাঞ্চলৰ কৃষকসকলৰ উৎপাদিত সামগ্ৰীৰ মূল্য সংযোজিত কৰিব বিচাৰিছে। ৫খন জিলাৰ পৰা সৰিয়হৰ তেল সংগ্ৰহ কৰি একো একোটা ব্ৰেণ্ডৰ জৰিয়তে স্থানীয় বজাৰ দখল কৰাৰ প্ৰচেষ্টা লোৱা হ'ব। গাখীৰ, কণী, মাছ আদিৰ ক্ষেত্ৰতো আত্মনিৰ্ভৰ হোৱাৰ বাবে প্ৰচেষ্টা হাতত লোৱা হ'ব। তেওঁ কয়- এক শক্তিশালী পঞ্চায়তীৰাজ ব্যৱস্থাৰ জৰিয়তে তৃণমূলৰ উন্নয়নৰ অধিক গতি প্ৰদান কৰাৰ সুযোগ আছে। ইতিমধ্যে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত নতুনকৈ ৩.৫ লাখ ঘৰ নিৰ্মাণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। প্ৰধানমন্ত্ৰীৰ আৱাস যোজনাৰ গৃহ নিৰ্মাণৰ ক্ষেত্ৰত সকলোধৰণৰ দুৰ্নীতি হ্ৰাস কৰা হৈছে। তদুপৰি প্ৰধানমন্ত্ৰীৰ আৱাস যোজনাৰ অধীনত সামৰি ল'ব নোৱাৰা গৃহসমূহ মুখ্যমন্ত্ৰীৰ আৱাস যোজনাৰ অধীনত নিৰ্মাণ কৰা হ'ব। মুখ্যমন্ত্ৰী ড° শৰ্মাই অহা অক্টোবৰ-নৱেম্বৰ মাহত পুনৰ এটকা অথবা ৫০ পইচাকৈ বিজুলীৰ নিৰিখ হ্ৰাস কৰাৰ বাবেও ৰাজ্য চৰকাৰে চিন্তা-চৰ্চা কৰিব বুলি জানিবলৈ দিয়ে। সংকল্প-পত্ৰ উন্মোচন কাৰ্যসূচীত ভাষণ দি ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই কয় যে এখন সুৰক্ষিত অসম, বিকশিত অসম আৰু শ্ৰেষ্ঠ অসম গঢ়াৰ খনিকৰসকল হ'ল গাঁৱৰ ৰাইজ। সংকল্প-পত্ৰ প্ৰস্তুতৰ পূৰ্বেই বিজেপিয়ে সৰ্বস্তৰৰ ৰাইজৰ পৰা মতামত গ্ৰহণ কৰিছিল। প্ৰায় ৩.৫ হাজাৰতকৈ অধিক লোকে ই-মেইলযোগে পৰামৰ্শ প্ৰেৰণ কৰিছে আৰু ৰাইজৰ সেই পৰামৰ্শ সাপেক্ষে সংকল্প-পত্ৰ প্ৰস্তুত কৰি উলিওৱা হৈছে। সভাপতিগৰাকীয়ে কয় যে বিজেপিৰ কাৰণে কোনো এটা নিৰ্বাচনেই কোৱাৰ্টাৰ ফাইনেল বা ছেমিফাইনেল নহয়। পঞ্চায়তৰ পৰা সংসদীয় নিৰ্বাচনলৈ প্ৰতিটো নিৰ্বাচনেই বিজেপিৰ কাৰণে ফাইনেলসদৃশ। পঞ্চায়ত নিৰ্বাচনো দলৰ কাৰণে সমানে গুৰুত্বপূৰ্ণ। আজিৰ অনুষ্ঠানতেই পঞ্চায়ত নিৰ্বাচন উপলক্ষে প্ৰস্তুত কৰি উলিওৱা দুটা থীম ছং আৰু বিজেপি মিত্ৰজোঁটৰ চৰকাৰখনে যোৱা ৯ বছৰে কৰি অহা উন্নয়নমূলক কাম-কাজক সামৰি এখন তথ্যচিত্ৰ মুকলি কৰা হয়। সংকল্প পত্ৰ উন্মোচন অনুষ্ঠানত বিজেপিৰ অসম প্ৰভাৰী হৰিশ দ্বিবেদী, মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, পীযূষ হাজৰিকা, জয়ন্ত মল্ল বৰুৱা, কৌশিক ৰায়, সাংসদ কামাখ্যা প্ৰসাদ তাছা, ৰঞ্জিত দত্ত, বিজুলী কলিতা মেধি, দলৰ উপ-সভাপতি তপন কুমাৰ গগৈকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থাকে।

# কাশ্মীৰৰ পেহেলগামত

হাইলাকান্দি জিলাত বিদ্যাৰ্থী পৰিষদৰ উদ্যোগত শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ অনুষ্ঠিত কৰা হয়। এবিভিপিৰ তৰফৰ পৰা চৰকাৰ তথা প্ৰশাসনক সন্ত্ৰাসবাদী তথা দেশ বিৰোধী শক্তি সমূহৰ বিৰুদ্ধে কঠোৰতকৈ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায়, এবিভিপিৰ এই প্ৰতিবাদী কাৰ্যসূচীত এবিভিপি অসম প্ৰদেশৰ মিডিয়া সংযোজক জিতুমণি কলিতা, গুৱাহাটী মহানগৰ সম্পাদক ৰূপাংক শৰ্মা, গুৱাহাটী বাণিজ্য মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সভাপতি মাধুৰ্য প্লাৱণ তালুকদাৰ, গুৱাহাটী মহাবিদ্যালয়ৰ সভাপতি সুমিত দাস উপস্থিত থাকে।

# সন্ত্ৰাসবাদীয়ে অকল্পনীয়

কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে সমগ্ৰ দেশবাসী তেওঁৰ সৈতে আছে আৰু সন্ত্ৰাসবাদৰ সৈতে জড়িত লোকক যিধৰণৰ শাস্তি বিহা হ'ব সেয়া সন্ত্ৰাসবাদীয়ে কল্পনা কৰিব নোৱাৰিব। সন্ত্ৰাসবাদে কেতিয়াও ভাৰতৰ উদ্যম ভাঙিব নোৱাৰে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়-আজি মই বিহাৰৰ ভূমিৰ পৰা সমগ্ৰ বিশ্বক কওঁ- ভাৰতে প্ৰতিটো সন্ত্ৰাসবাদী আৰু ইয়াৰ লগত জড়িতসকলক চিনাক্ত কৰিব, বিচাৰি উলিয়াব আৰু শাস্তি বিহিব। পৃথিৱীৰ য'তেই নাথাকক কিয়, সেইসকলক বিচাৰি উলিওৱা হ'ব। সন্ত্ৰাসবাদীক শাস্তি নিবিহাকৈ এৰি দিয়া নহ'ব, ন্যায়ৰ বাবে সকলো পদক্ষেপ গ্ৰহণ কৰা হ'ব। ভাষণৰ আৰম্ভণিতে মৌনতা অৱলম্বন কৰি প্ৰাণ হেৰুওৱাসকলৰ প্ৰতি শ্ৰদ্ধা জনাই প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ ভাষণ আগবঢ়াই পেহেলগামৰ প্ৰসংগ উত্থাপনেৰে পাকিস্তানক আক্ৰমণৰ লক্ষ্য কৰি লয়। পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক সমগ্ৰ দেশৰ লগতে বিশ্বনেতাই গৰিহণা জনাই ভাৰতৰ সৈতে সহমৰ্মিতা প্ৰকাশৰ বাবে প্ৰধানমন্ত্ৰী মোদীয়ে কৃতজ্ঞতা জ্ঞাপন কৰে।

# পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণত

গৃহমন্ত্ৰীগৰাকীয়ে পিছত পৰিস্থিতি সন্দৰ্ভত উচ্চপৰ্যায়ৰ বৈঠকত মিলিত হয়। সন্ত্ৰাসবাদীৰ এই বৰ্বৰ আক্ৰমণক কাপুৰুষালি আখ্যা দি সন্ত্ৰাসবাদত শিৰনত নকৰাৰ হুংকাৰ দিয়ে গৃহমন্ত্ৰী শ্বাহে। ইপিনে পেহেলগামত সন্ত্ৰাসবাদীৰ ভয়াৱহ আক্ৰমণৰ পিছত নিৰাপত্তা বাহিনীয়ে অঞ্চলটোত সন্ত্ৰাসবিৰোধী অভিযান তীব্ৰতৰ কৰি তুলিছে। কাশ্মীৰৰ পৰা সন্ত্ৰাসবাদৰ সৈতে জড়িত থকাৰ সন্দেহত ৰ, ৪০০তকৈ অধিক লোকক আৰক্ষীয়ে আটক কৰিছে। ইয়াৰে ভিতৰত আঢ়ৈশতকৈ অধিক সন্ত্ৰাসবাদৰ হৈ অভাৰগ্ৰাউণ্ড কাম কৰা কৰ্মীও আছে। মঙলবাৰে নিষিদ্ধ সংগঠন লস্কৰ-ই-তৈবাৰ অধীনৰ টি আৰ এফে পেহেলগামত চলোৱা নৰসংহাৰত প্ৰাণ হেৰুওৱা লোকৰ ভিতৰত এগৰাকী নৌসেনা বিষয়াৰ লগতে বিহাৰৰ আবকাৰী পৰিদৰ্শক, আমেৰিকা যুক্তৰাষ্ট্ৰস্থিত কলকাতাৰ অভিযন্তা, কৰ্ণাটকৰ ৰিয়েল ব্যৱসায়ীও আছে। প্ৰকৃতিৰ মনোৰম দৃশ্যৰাজি উপভোগ কৰিবলৈ গৈ পেহেলগামত সন্ত্ৰাসবাদীৰ আক্ৰমণত প্ৰাণ হেৰুওৱা দেশী-বিদেশী ২৬ পৰ্যটকৰ ভিতৰত মহাৰাষ্ট্ৰৰ ছয়জন, গুজৰাট, কৰ্ণাটক আৰু পশ্চিমবংগৰ তিনিজনকৈ আৰু অন্ধ্ৰপ্ৰদেশ, কেৰালা, ওড়িশা, উত্তৰ প্ৰদেশ, প্ৰদেশ, হাৰিয়ানা, উত্তৰাখণ্ড, অৰুণাচল প্ৰদেশ, বিহাৰ, মধ্যপ্ৰদেশৰ এজনকৈ লোকৰ লগতে এজন নেপালী নাগৰিক। নিহতসকলৰ ভিতৰত আছে পাহলগামৰ এজন স্থানীয় লোকো। সন্ত্ৰাসবাদীৰ আক্ৰমণৰ বলি হোৱা পৰ্যটককেইজন হৈছে- সুশীল নাত্যাল, ছৈয়দ আদিল হুছেইন শ্বাহ, হেমন্ত সুহাশ যোশী, বিনয় নাৰৱাল, অতুল শ্ৰীকান্ত মণি, নীৰজ উধৱানি, বিটন অধিকাৰী, সুদীপ নিউপানে, শুভম দ্বিবেদী, প্ৰশান্ত কুমাৰ ছত্ৰপতি, মনীষ ৰঞ্জন, এন ৰামাচন্দ্ৰ, সঞ্জয় লক্ষ্মণ লালি, দীনেশ আগৰৱালা, সমীৰ গুহৰ, দিলীপ দাচালি, জে চচন্দ্ৰ মলি, মধুসূদন সমীচেটী, সন্তোষ জাঘ্রা, কস্তুবা গণভোটাই, ভাৰত ভূষণ, সুমিত পাৰমাৰ, যতীশ পাৰমাৰ, মঞ্জুনাথ ৰাও, টাগে হেলিন আৰু শৈলেশভাই এইচ হিম্মতভাই কালাথিয়া। লক্ষণীয় যে ভয়াৱহ আক্ৰমণৰ পিছতেই পাকিস্তানস্থিত নিষিদ্ধ সন্ত্ৰাসবাদী সংগঠন লস্কৰ-ই-তৈবাৰ অধীনত দ্য ৰেজিষ্ট্ৰেচন ফ্ৰন্ট, চমুকৈ টি আৰ এফে এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিছে। টি আৰ এফৰ আক্ৰমণে এইটো স্পষ্ট কৰি দিয়ে যে পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণত পাকিস্তান জড়িত আছে। এনে পৰিপ্ৰেক্ষিততেই পাকিস্তানস্থিত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ ল'বলৈ দেশবাসী ক্ষোভত ফাটি পৰিছে। ইপিনে পেহেলগামত আক্ৰমণৰ পিছত কেন্দ্ৰীয়শাসিত অঞ্চলটোৰ পৰিস্থিতি সন্দৰ্ভত আলোচনা কৰিবলৈ মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাই সৰ্বদলীয় বৈঠকৰ আহ্বান জনাইছে।

# জম্মু-কাশ্মীৰৰ পেহেলগামত

আগত প্ৰকাশ কৰিছে। আৰক্ষীয়ে আহতসকলৰ তালিকা প্ৰকাশ কৰিছে। সন্ত্ৰাসবাদী আক্ৰমণত আহত হোৱা লোকসকলৰ ভিতৰত গুজৰাটৰ বিনো ভাট, মাণিক পাটিল আৰু বিনো পাণ্ডে, মহাৰাষ্ট্ৰৰ এছ বালাচান্দ্ৰো আৰু ড° পৰমেশ্বৰ, কৰ্ণাটকৰ অভি জাৱন ৰাও, অভিজাৱম ৰাও, তামিলনাডুৰ ছাল্টু, ওড়িশাৰ শশী কুমাৰী বুলি চিনাক্ত কৰিছে। ইপিনে, এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিছে নিষিদ্ধ সংগঠন লস্কৰ-ই-তৈবাৰ অধীনৰ সন্ত্ৰাসবাদী সংগঠন এলটিআৰএফে। শেহতীয়া তথ্য মতে আহতৰ ভিতৰত চাৰিজনৰ অৱস্থা সংকটজনক। আনপিনে, জম্মু-কাশ্মীৰৰ পেহেলগামত পৰ্যটকৰ ওপৰত সন্ত্ৰাসবাদীৰ আক্ৰমণক গৰিহণা জনাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আক্ৰমণকাৰীক কোনো কাৰণে ৰেহাই দিয়া নহ'ব বুলি প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে এই আক্ৰমণৰ পাছতেই কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে টেলিফোনিক বাৰ্তালাপ কৰি আক্ৰমণকাৰীৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে। তথ্য মতে, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰধানমন্ত্ৰীৰ নিৰ্দেশত মঙলবাৰে সন্ধিয়া শ্ৰীনগৰত উপস্থিত হৈছে। আনপিনে, কেন্দ্ৰীয়শাসিত অঞ্চলটোৰ মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাই আক্ৰমণকাৰীক জন্তু আখ্যা দি এনে আক্ৰমণক কাপুৰুষালি বুলি কৈ কঠোৰ ভাষাৰে গৰিহণা দিছে। পেহেলগামত সন্ত্ৰাসবাদীৰ কাপুৰুষালি আক্ৰমণক কঠোৰ ভাষাৰে গৰিহণা জনাইছে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে। উল্লেখ্য যে সন্ত্ৰাসবাদীৰ আক্ৰমণৰ পৰা বাচিবলৈ সক্ষম হোৱা এগৰাকী পৰ্যটকে প্ৰকাশ কৰা মতে, আজি দিনৰ প্ৰায় ২.৩০ বজাত দুই-তিনিজনীয়া দল এটাই পৰ্যটকে বাহৰ পতা ৰিজ'ৰ্টলৈ আহে। দলটোৱে প্ৰথমে পৰ্যটকৰ পৰিচয়পত্ৰ বিচাৰে আৰু ইয়াৰ পাছতেই জধে-মধে গুলীয়াবলৈ ধৰে। ইপিনে, এই ঘটনাৰ পাছতে আধাতে ছৌদি আৰবৰ ভ্ৰমণ আধাতে সামৰি দেশলৈ উভতি আহে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। উল্লেখ্য যে দুদিনীয়া ভ্ৰমণসূচীৰে প্ৰধানমন্ত্ৰী মোদী ছৌদি আৰৱত উপস্থিত হৈছিল। দেশত উপস্থিত হোৱাৰ পাছতে মোদীয়ে কেবিনেট বৈঠক অনুষ্ঠিত কৰাৰো সম্ভাৱনা আছে। ইতিমধ্যে সন্ত্ৰাসবাদীৰ এই আক্ৰমণক মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প, ইটালীৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেলনিসহ বহুসংখ্যক বিদেশী ৰাষ্ট্ৰৰ মুৰব্বীয়ে কঠোৰ ভাষাৰে গৰিহণা দিছে।

# ইউপিএছছিত ৪৭৪ সংখ্যক

চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ত অধ্যয়ন কৰে। ভাস্বতে ২০১২ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈ অসমৰ ভিতৰত দশম স্থান দখল কৰিছিল। পৰৱৰ্তী সময়ত গুৱাহাটী আই আই টিৰ পৰা সুখ্যাতিৰে বি টেক পৰীক্ষাত উত্তীৰ্ণ হোৱা ভাস্বতে চিটি গ্ৰুপৰ ছফ্টৱেৰৰ ডেভেলপাৰৰ পদত নিযুক্তি লাভ কৰিছিল। ২০২২ বৰ্ষত ভাৰতীয় বন সেৱাৰ পৰীক্ষাত ৬৮সংখ্যক স্থান লাভ কৰা ভাস্বতে পুনৰ ২০২৪ চনত কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষাত অৱতীৰ্ণ হৈ ৫৫২সংখ্যক স্থান লাভ কৰিছিল। এইবাৰ মেধাৱী ছাত্ৰজনে পুনৰ লোকসেৱা আয়োগৰ পৰীক্ষাত ৪৭৪ সংখ্যক স্থান লাভ কৰে। উল্লেখ্য যে ভাস্বতে ইতিমধ্যে ভাৰতীয় আৰক্ষী সেৱা (আই পি এছ)ত কাৰ্যনিৰ্বাহ কৰি আছে। লোকসেৱা আয়োগত পৰীক্ষাত অৱতীৰ্ণ হ'বৰ বাবে তেওঁ সম্প্ৰতি ছুটীত আছে। লোকসেৱা আয়োগৰ পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত ভাৰতীয় অসামৰিক সেৱাত স্থান পালে যোগদান কৰিব নে নকৰে পৰৱৰ্তী সময়তহে সিদ্ধান্ত ল'ব বুলি মন্তব্য কৰি সংবাদ মাধ্যমৰ সন্মুখত তেওঁ কয়- আই পি এছত মই অসম কেডাৰত যোগদান কৰিছিলোঁ। আই এছ এছত মই কোন কেডাৰত পাওঁ তাৰ ওপৰতহে সিদ্ধান্ত ল'ম। কাৰণ অসমৰ প্ৰতি মোৰ এক টান আছে। তেওঁ লগতে কয় যে প্ৰশাসনৰ অংগ হোৱাটোৱেই তেওঁৰ লক্ষ্য। তিনিবাৰকৈ লোকসেৱা আয়োগৰ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱাৰ আঁৰত ধাৰাবাহিক অধ্যয়ন তথা কষ্ট জড়িত আছে বুলি মন্তব্য কৰি তেওঁ নিজে ভাগ্যৱান বুলি কয়। ভাগ্যৱান নোহোৱা হ'লে তিনিবাৰকৈ লোকসেৱা আয়োগৰ পৰীক্ষাত যোগ্যতা লাভ নকৰিলেহেঁতেন বুলিও তেওঁ উল্লেখ কৰে। ভাস্বত শইকীয়াৰ পিতৃয়ে তেওঁৰ পুত্ৰৰ ধাৰাবাহিক সফলতাত সুখী বুলি মন্তব্য কৰে। মাতৃয়ে পুত্ৰই কষ্ট কৰাৰ পিছত সফলতা লাভ কৰাৰ বাবে ভাল লাগিছে বুলি অনুভৱ ব্যক্ত কৰে। ভাস্বতৰ এই সাফল্যত পৰিয়ালৰ লগতে ৰাজ্যবাসী উৎফুল্লিত।

# ৪ সন্ত্ৰাসবাদীৰ

সন্ত্ৰাসবাদীৰ এই আক্ৰমণৰ লগত পাকিস্তানৰ প্ৰত্যক্ষ যোগাযোগ আছে। নিষিদ্ধঘোষিত পাকিস্তানী সন্ত্ৰাসবাদী সংগঠন লস্কৰ-ই-তৈবাৰ অধীনৰ টি আৰ এফে পেহেলগামৰ এই আক্ৰমণ সংঘটিত কৰিছে। পাকিস্তানৰ পৰা প্ৰশিক্ষণ আৰু বিত্তীয়ৰ লগতে কৌশলগত সমৰ্থন পাই থকা নিষিদ্ধ সন্ত্ৰাসবাদী সংগঠন লস্কৰ-ই-তৈবাৰ এই আক্ৰমণৰ সৈতে জড়িত আছে। পেহেলগামৰ এই নৰসংহাৰৰ মাষ্টাৰমাইণ্ড হিচাপে সন্ত্ৰাসবাদী ছাইফুল্লা খালিদক চিনাক্ত কৰা হৈছে। কুখ্যাত লস্কৰ সন্ত্ৰাসবাদী ছাইফুল্লাই পেহেলগামৰ এই বৰ্বৰ হত্যাকাণ্ডৰ মাষ্টাৰমাইণ্ড বুলি 'নিয়া'ই সন্দেহ প্ৰকাশ কৰিছে। ছাইফুল্লা ওৰফে ছাইফুল্লা কছুৰীয়ে বিগত দুমাহ ধৰি অঞ্চলটোত আক্ৰমণৰ বাবে ব্লু-প্ৰিণ্ট ৰচনা কৰিছিল বুলিও তথ্য পোহৰলৈ আহিছে। এই ব্লু-প্ৰিণ্টৰ সময়তে সন্ত্ৰাসবাদী ছাইফুল্লাই পৰিকল্পনাৰ প্ৰক্ৰিয়াক লৈ দুবাৰকৈ পাকিস্তানী সেনাৰ শিবিৰো ভ্ৰমণ কৰিছিল। লক্ষণীয় যে লস্কৰ-ই-তৈবাৰ মুৰব্বী কুখ্যাত সন্ত্ৰাসবাদী হাফিজ ছঈদৰ অতি ঘনিষ্ঠ ছাইফুল্লা। নিষিদ্ধ সংগঠনটোৰ উপ-মুৰব্বী হিচাপে দায়িত্ব গ্ৰহণ কৰি থকাৰ সমান্তৰালকৈ জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদী সংগঠন টি আৰ এফ আৰু পিপল এন্টি ফেচিষ্ট ফ্ৰন্ট, চমুকৈ পি এফ এফ গঠনতো সক্ৰিয় ভূমিকা লৈছিল। লস্কৰৰ প্ৰক্সি সংগঠন হিচাপে এই দুয়োটাই সন্ত্ৰাসবাদী কাৰ্যকলাপ চলাই আহিছে। ভাৰতবিৰোধী কেইবাটাও সন্ত্ৰাসবাদী সংগঠনৰ সৈতে সম্পৰ্কিত ছাইফুল্লাই পাকিস্তানী সেনাৰ সৈতে অতি ঘনিষ্ঠ। বিগত ২ ফেব্ৰুৱাৰীত পাক অধিকৃত কাশ্মীৰত পাক সেনা আৰু আই এছ আইৰে আয়োজিত সমাৰেশত কুখ্যাত সন্ত্ৰাসবাদী ছাইফুল্লাই ভাৰতবিৰোধী উচটনিমূলক বক্তব্য আগবঢ়াইছিল। মন কৰিবলগীয়া যে দুমাহ পূৰ্বে ছাইফুল্লাই পাকিস্তানৰ পঞ্জাবৰ কংগনপুৰত সেনাৰ কাৰ্যসূচীত অংশ লৈছিল। জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদী কাৰ্যকলাপ প্ৰসাৰিত কৰাত ছাইফুল্লাক সকলো দিশেৰে সহায় কৰি আহিছে পাক সেনাই। ইপিনে পেহেলগামত সন্ত্ৰাসবাদীয়ে চলোৱা নৰসংহাৰৰ পিছত নিৰাপত্তা বাহিনীয়ে সন্ত্ৰাসবাদীৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তুলিছে। বাৰামুলাৰ নিয়ন্ত্ৰণ ৰেখাৰ সমীপত সেনাই দুই সন্ত্ৰাসবাদীক গুলীয়াই হত্যা কৰে। আনপিনে কুলগাম জিলাতো সন্ত্ৰাসবাদী গোট আৰু নিৰাপত্তা বাহিনীৰ মাজত সংঘৰ্ষ হয়। এই সংঘৰ্ষত হতাহতৰ তথ্য এতিয়াও প্ৰকাশ পোৱা নাই।

# ৰন্ধন গেছৰ প্ৰতিটো

উদ্যমিতা আঁচনিৰ ধনেৰে মহিলাসকলক ম'বাইল ক্ৰয়ৰ পৰিৱৰ্তে সেই ধন সৎ কামত ব্যৱহাৰ কৰিবলৈ আহ্বান জনাই মুখ্যমন্ত্ৰী ড° শৰ্মাই অনাগত দিনত চৰকাৰে মহিলাসকলক বিনামূলীয়াকৈ ম'বাইল যোগান ধৰিব। অৱশ্যে এই কাম লাহে লাহে কৰিব। একেদৰে ৰেচন কাৰ্ড থকা পৰিয়ালসমূহক অহা ১ অক্টোবৰৰ পৰা বজাৰতকৈ ৩০ টকা কম দামত চেনি আৰু দাইল আৰু ১০ টকা কম দামত নিমখ যোগান ধৰা হ'ব বুলিও উল্লেখ কৰে। তদুপৰি ৰন্ধন গেছৰ মূল্য হ্ৰাস কৰাৰ চিন্তা কৰি থকাৰ উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বৰ্তমান উজ্জ্বলা আঁচনিৰ একোটা গেছ চিলিণ্ডাৰৰ মূল্য ৫৫০ টকা। উজ্জ্বলা আঁচনিৰ চিলিণ্ডাৰ নথকাসকলেহে ৯৫০ টকাত চিলিণ্ডাৰ ক্ৰয় কৰি আহিছে। মহিলাসকলক সকাহ দিয়াৰ বাবে এই বছৰতে প্ৰতিটো চিলিণ্ডাৰৰ দাম ২০০ৰ পৰা৩০০ টকা হ্ৰাস কৰাৰ চিন্তা কৰা হৈছে। আনহাতে, ৰেচন কাৰ্ড থকা পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীয়ে এতিয়াৰে পৰা আয়ৰ প্ৰমাণ-পত্ৰ অবিহনে কলেজত বিনামূলীয়াকৈ নামভৰ্তি কৰিব পাৰিব বুলি ভাষণত উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে পূৰ্বৰ দৰে এতিয়াৰে পৰা কলেজত নামভৰ্তিৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে গাঁওবুঢ়া, মৌজাদাৰ বা চক্ৰ বিষয়াৰ পৰা আয়ৰ প্ৰমাণ-পত্ৰ নানিলেও হ'ব। ইয়াৰ পৰিৱৰ্তে ছাত্ৰ-ছাত্ৰীসকলে কলেজৰ অধ্যক্ষক ৰেচন কাৰ্ডখন দেখুৱালেই বিনামূলীয়াকৈ নামভৰ্তিৰ ব্যৱস্থা কৰি দিব। এই সম্পৰ্কত মুখ্যমন্ত্ৰী ড° শৰ্মাই শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুক অচিৰেই চৰকাৰী জাননী প্ৰকাশ কৰিবলৈ আহ্বান জনায়।

# গুৱাহাটী উচ্চ

ন্যায়ালয়ৰ আন কৰ্মচাৰী-অধিবক্তাসকলে ইফালৰ পৰা সিফাললৈ দৌৰা-দৌৰি কৰে। অৱশ্যে মহানগৰ আৰক্ষীয়ে মুহূৰ্তৰ ভিতৰতে পৰিস্থিতি নিয়ন্ত্ৰণ কৰি আতংকিত কৰ্মচাৰীসকলক বাহিৰলৈ উলিয়াই নিয়ে। বোম স্কোৱাডৰ সমান্তৰালভাৱে বোমা বিচৰা অভিযানত সমানেই নামি পৰিল মহানগৰ আৰক্ষীৰ শীৰ্ষ বিষয়াসকলো। কিন্তু কেইঘণ্টাজোৰা শ্বাসৰুদ্ধকৰ পৰিস্থিতিৰ পাছতো কোনোধৰণৰ বোমাৰ সন্ধেদ নিৰাপত্তাৰক্ষীয়ে পাবলৈ সক্ষম নহ'ল। অসম আৰক্ষীৰ বিশেষ সূত্ৰই সদৰী কৰা মতে, ভাবুকিভৰা ই-মেইলটো তামিলনাডুৰ 'মাদ্ৰাছ টাইগাৰ' নামৰ অজ্ঞাত সংগঠন এটাই প্ৰেৰণ কৰিছিল। মেইলটো তামিল ভাষাত লিখা আছিল।

# ৫১ হাজাৰ যুৱক-যুৱতীক নিযুক্তি

তেওঁ আৰু কয় যে ভাৰত এতিয়া বাস্তৱ-সময়ৰ ডিজিটেল লেনদেনৰ ক্ষেত্ৰত বিশ্বৰ এখন আগশাৰীৰ দেশ আৰু এই কৃতিত্বৰ এক উল্লেখযোগ্য গৰাকী হৈছে যুৱক-যুৱতীসকল। এইবাৰ বাজেটত চৰকাৰে মেনুফেকচাৰিং মিছনৰ কথা ঘোষণা কৰিছে। ইয়াৰ লক্ষ্য হৈছে 'মেক ইন ইণ্ডিয়া' পদক্ষেপক প্ৰচাৰ আৰু ভাৰতৰ যুৱক-যুৱতীসকলক বিশ্বমানৰ সামগ্ৰী সৃষ্টিৰ সুযোগ প্ৰদান কৰা। মেনুফেকচাৰিং মিছনে সমগ্ৰ দেশৰ লাখ লাখ এমএছএমই আৰু ক্ষুদ্ৰ উদ্যোগীক সহায় কৰাই নহয়, বৰঞ্চ দেশজুৰি নতুন নিয়োগৰ সুযোগো প্ৰশস্ত কৰিব। এয়া ভাৰতৰ যুৱক-যুৱতীসকলৰ বাবে অসীম সুযোগৰ সময়। শেহতীয়াকৈ আইএমএফে উল্লেখ কৰিছে যে ভাৰত বিশ্বৰ দ্ৰুত-বৰ্ধমান অৰ্থনীতি হৈয়েই থাকিব। এনেধৰণৰ বিকাশৰ ক্ষেত্ৰত একাধিক কাৰকে ক্ৰিয়া কৰিছে। আটাইতকৈ উল্লেখযোগ্য কথাটো হ'ল- অনাগত দিনত সকলো খণ্ডতে নিয়োগৰ সুযোগ বৃদ্ধি পাব। শেহতীয়া সময়ত অট'ম'বাইল আৰু জোতা উদ্যোগে উৎপাদন আৰু ৰপ্তানিৰ ক্ষেত্ৰত নতুন অভিলেখ অৰ্জনেৰে যুৱক-যুৱতীসকলৰ বাবে যথেষ্ট কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰা বুলি মন্তব্য কৰি তেওঁ লগতে কয় যে পোনপ্ৰথমবাৰৰ বাবে খাদী আৰু গ্ৰামোদ্যোগৰ সামগ্ৰীয়ে ১.৭০ লাখ কোটি টকাৰ লেনদেন অতিক্ৰমেৰে বিশেষকৈ গ্ৰামাঞ্চলসমূহত লাখ লাখ নতুন নিয়োগৰ সৃষ্টি কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে নিজ ভাষণত অভ্যন্তৰীণ জল পৰিবহণৰ শেহতীয়া সফলতাৰ ওপৰতো আলোকপাত কৰে। তেওঁৰ মতে, ২০১৪ৰ পূৰ্বে আভ্যন্তৰীণ জল পৰিবহণৰ জৰিয়তে বছৰি মাত্ৰ ১৮ নিযুত টন সামগ্ৰীহে পৰিবহণ কৰা হৈছিল। কিন্তু এইবাৰ সামগ্ৰী পৰিবহণৰ পৰিমাণে ১৪৫ নিযুত টন অতিক্ৰম কৰিছে। এনে সফলতা ভাৰতৰ ধাৰাবাহিক নীতি- নিৰ্ধাৰণ আৰু সিদ্ধান্ত গ্ৰহণৰ ফলশ্ৰুতি। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে দেশত ৰাষ্ট্ৰীয় জলপথৰ সংখ্যা মাত্ৰ ৫১পৰা ১১০ৰো অধিকলৈ বৃদ্ধি পাইছে আৰু এই জলপথসমূহৰ কাৰ্যকৰী দৈৰ্ঘ্য প্ৰায় ২,৭০০ কিলোমিটাৰৰ পৰা প্ৰায় ৫,০০০ কিলোমিটাৰলৈ বৃদ্ধি পাইছে। এই কৃতিত্বসমূহে সমগ্ৰ দেশৰ যুৱক-যুৱতীসকলৰ বাবে নতুন সুযোগৰ সৃষ্টি কৰিছে। মুম্বাইত বিশ্ব অডিঅ'-ভিজুৱেল আৰু এণ্টাৰটেইনমেণ্ট সন্মিলন (WAVES)-২০২৫ অনুষ্ঠিত হ'ব। এই অনুষ্ঠানে দেশৰ যুৱ ক্ৰিয়েটৰসকলক পোনপ্ৰথমবাৰৰ বাবে এনে এখন মঞ্চ প্ৰদান কৰিব। মিডিয়া, গেমিং আৰু এণ্টাৰটেইনমেণ্ট খণ্ডৰ উদ্ভাৱকসকলৰ বাবে বেছ হৈছে তেওঁলোকৰ প্ৰতিভা প্ৰদৰ্শনৰ এক অভূতপূৰ্ব সুযোগ। ইয়াত এণ্টাৰটেইনমেণ্ট ষ্টাৰ্টআপসমূহে বিনিয়োগকাৰী আৰু উদ্যোগৰ নেতাসকলৰ সৈতে সংযোগ স্থাপনৰ সুযোগ লাভ কৰিব, যাৰ ফলত বিশ্বৰ আগত তেওঁলোকৰ ধাৰণাসমূহ উপস্থাপনৰ সৰ্ববৃহৎ মঞ্চ হ'ব। অনুষ্ঠানৰ সময়ত আয়োজিত ভিন্ন কৰ্মশালাৰ জৰিয়তে যুৱক-যুৱতীসকল এআই, এক্সআৰৰ সৈতে পৰিচিত হ'ব। বেভ্ছে ভাৰতৰ ডিজিটেল কণ্টেণ্টৰ ভৱিষ্যতক শক্তিশালী কৰিব। আনহাতে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে গুৱাহাটীৰ কৰ ভৱনত আয়োজিত 'ৰোজগাৰ মেলা'ৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী মোদীৰ ভিডিঅ' কনফাৰেঞ্চৰ সৈতে ভাৰ্চুৱেলী সংযুক্ত হয়। এই অনুষ্ঠানতে কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে আনুষ্ঠানিকভাৱে গুৱাহাটীত নৱনিযুক্ত প্ৰাৰ্থীসকলক নিযুক্তি-পত্ৰ বিতৰণ কৰে। ভাষণ প্ৰসংগত কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে কয় যে আজি যিসকল প্ৰাৰ্থীয়ে নিজস্ব মেধা আৰু প্ৰতিভাৰে 'ৰোজগাৰ মেলা'ৰ জৰিয়তে সংস্থাপন পাবলৈ সক্ষম হৈছে, মই সকলোকে আৰু তেওঁলোকৰ অভিভাৱকসকলক বিশেষভাৱে অভিনন্দন জনাইছোঁ। যোৱা এটা দশকত প্ৰধানমন্ত্ৰী মোদীৰ সুফলদায়ক নেতৃত্বত ভাৰতবৰ্ষত যি অনিৰুদ্ধবিকাশৰ গতি আৰম্ভ হৈছে, তাৰ জৰিয়তে দেশখনে গোটেই বিশ্বতে এটা সুকীয়া পৰিচয় লাভ কৰিবলৈ সক্ষম হৈছে। অহা ২৫ বছৰৰ ভিতৰত ভাৰতক বিশ্বৰ আগশাৰীৰ অৰ্থনৈতিক শক্তি হিচাপে গঢ়ি তোলাৰ লক্ষ্য প্ৰধানমন্ত্ৰী মোদীয়ে আমাক বান্ধি দিছে। আমি আটায়ে সেই লক্ষ্য প্ৰাপ্তিৰ বাবে কষ্ট কৰিব লাগিব। আজি সমগ্ৰ দেশতে যিসকল যুৱক-যুৱতীয়ে নিযুক্তি-পত্ৰ লাভ কৰিলে, সেইসকলে এই কথা বিশেষভাৱে মনত ৰাখিব লাগিব। তেওঁলোকে সমৰ্পিত ভাবনাৰে দেশৰ সেৱা কৰিব লাগিব। আজি যি বিপদ আমাৰ সন্মুখত আহি উপস্থিত হৈছে, তাক প্ৰতিহত কৰাৰ বাবে প্ৰধানমন্ত্ৰী মোদীৰ সৈতে একেলগে থিয় হ'ব লাগিব। আমি প্ৰমাণ কৰি দিম এই দেশ পৃথিৱীৰ অন্যতম শক্তিশালী দেশ। কোনো শত্ৰুৰ সন্মুখত আমি কেতিয়াও শিৰনত নকৰোঁ। শিৰ তুলি আমি আমাৰ স্বাভিমানক বচাই ৰাখি নিজৰ শক্তিৰ প্ৰদৰ্শন কৰিম। পাক সমৰ্থিত সন্ত্ৰাসবাদীৰ গুলীচালনাত মৃত্যুবৰণ কৰা আমাৰ শান্তিপ্ৰিয় নাগৰিকসকলৰ আত্মাৰ সদ্গতি কামনা কৰাৰ লগতে এই ঘটনাক কঠোৰ ভাষাৰে নিন্দা কৰিছোঁ। যিয়ে এই কাৰ্য সংঘটিত কৰিছে তেওঁলোকক কঠোৰতকৈও কঠোৰ শাস্তি প্ৰদান কৰিবলৈ আমি প্ৰতিজ্ঞাবদ্ধ হৈছোঁ। কাৰণ আমাৰ সকলোৰে বাবে দেশ প্ৰথম। আমাৰ সভ্যতা-সংস্কৃতি, ঐতিহ্যক সুৰক্ষিত ৰাখিবলৈ আমি মাৰবান্ধিথিয় হ'বৰ হ'ল। স্বতন্ত্ৰতাৰ পাছত কিমান সময় পাৰ হৈ গ'ল। কিন্তু পূৰ্বৰ চৰকাৰৰ দ্বাৰা দেশৰ অৰ্থনৈতিক অৱস্থাৰ উন্নয়ন সম্ভৱ হৈ নুঠিল। উল্লেখ্য যে দেশৰ ৪৭টা স্থানত ১৫সংখ্যক 'ৰোজগাৰ মেলা' অনুষ্ঠিত হয়। দেশৰ ভিন্ন প্ৰান্তৰ পৰা নিৰ্বাচিত নতুন নিযুক্তিপ্ৰাপ্তসকলে বিভাগ, কৰ্মচাৰী, ৰাজহুৱা অভিযোগ আৰু পেঞ্চন মন্ত্ৰালয়, গৃহ পৰিক্ৰমা মন্ত্ৰালয়, ডাক বিভাগ, উচ্চ শিক্ষা বিভাগ, ৰে'ল মন্ত্ৰালয়, শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়কে প্ৰমুখ্য কৰি ভিন্ন মন্ত্ৰালয় তথা বিভাগত যোগদান কৰিব।

# ৪ দিনৰ বাবে আৰক্ষীৰ

সন্ত্ৰাসবাদীৰ নাৰকীয় হত্যাকাণ্ড সন্দৰ্ভত কেতবোৰ বিতৰ্কিত মন্তব্য আগবঢ়াইছিল। আনকি পেহেলগামৰ হত্যাকাণ্ডৰ লগতে পুলৱামাৰ সন্ত্ৰাসবাদীৰ আক্ৰমণৰ ঘটনা দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ ষড়যন্ত্ৰ বুলি এক বিতৰ্কিত মন্তব্য কৰিছিল। বিধায়ক আমিনুল ইছলামে সন্ত্ৰাসবাদী কাৰ্যকলাপৰ বিৰুদ্ধে এটা শব্দ উচ্চাৰণ নকৰি আওপকীয়াকৈ সন্ত্ৰাসবাদীকহে উৎসাহিত কৰি সমগ্ৰ ঘটনাৰ বাবে প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীকে দোষাৰোপ কৰা ঘটনা সন্দৰ্ভত তেওঁৰ বিৰুদ্ধে নগাঁও সদৰ আৰক্ষী থানাত ভাৰতীয় ন্যায় সংহিতাৰ ধাৰা ১৫২/১৯৭/১৯৭(১)/১৩৩/৩৫২/৩৫৩ৰ অধীনত ৩৪৭/২০২৫ নম্বৰত এক গোচৰ পঞ্জীয়ন কৰা হয়। সেই ৰাষ্ট্ৰদ্ৰোহৰ গোচৰটো নগাঁও আৰক্ষীয়ে বিধায়কজনৰ বিৰুদ্ধে নিজাববীয়াকৈ ৰুজু কৰে। সেই গোচৰতেই ধিং সমষ্টিৰ এআইইউডিএফৰ বিধায়ক আমিনুল ইছলামক কালি নগাঁৰৰ পৰা এগৰাকী উচ্চপদস্থ আৰক্ষী বিষয়াৰ নেতৃত্বত যোৱা আৰক্ষীৰ এটা দলে জুৰীয়াৰ পৰমাইভেটিৰ বিধায়কজনৰ নিজা বাসভৱনৰ পৰাই গ্ৰেপ্তাৰ কৰিছিল।

# পাকিস্তানক সমৰ্থন কৰি

গোলাঘাটৰ বিতৰ্কিত মহিলা ডিম্পল বৰা। বিভিন্ন ধৰণৰ বিতৰ্কত নাম সাঙোৰ খাই পৰা ডিম্পল বৰা সামাজিক মাধ্যম ফেচবুক দধীচি ডিম্পল (জাইফুল যোদ্ধা) নামেৰে নিজৰ একাউণ্ট খুলি বিভিন্ন সময়ত হকে-বিহকে লিখি চৰ্চিত হৈ আহিছিল। এই সন্দৰ্ভত গোলাঘাট সদৰ থানাত দধীচি ডিম্পল ওৰফে ডিম্পল বৰাৰ বিৰুদ্ধে ৮১/২০২৫ত এটা গোচৰ তৎকালে পঞ্জীয়ন কৰি গুৱাহাটীৰ পৰা গোলাঘাট আৰক্ষীয়ে ডিম্পল বৰাক ভাৰতবিৰোধী কাৰ্যৰ বাবে গ্ৰেপ্তাৰ কৰে। সামাজিক মাধ্যমত পাকিস্তানক সমৰ্থন কৰি শনিবাৰে কাছাৰ আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ হ'ল দুই যুৱক। ধৃত দুই যুৱক কাছাৰৰ সোণাই ৰামনগৰৰ বক্তাৰ হুছেইন বৰভূ এণ্ড আৰু শিলচৰ ঘানিয়ালাৰ ইমৰান হুছেইন বৰভূ এণ্ড। উল্লেখ্য যে দেশবিৰোধী মন্তব্য কৰাৰ অভিযোগত কাছাৰত এতিয়ালৈকে গ্ৰেপ্তাৰ হৈছে চাৰিজন যুৱক। তদুপৰি একেই অভিযোগত হাইলাকান্দিৰ সুমন মজুমদাৰ ওৰফে বুলবুল আলম মজুমদাৰক আৰু নগাঁৰৰ চামগুৰিৰ মাছুদ আজহাৰক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে।

# মাটিত মিহলাই দিয়া

প্ৰশিক্ষণ গ্ৰহণ কৰিছে। আনপিনে চোৱাংচোৰা সংস্থাই পেহেলগামত পৰ্যটকক শূন্য দূৰত্বৰ পৰা ধৰ্মৰ পৰিচয় সুধি বৰ্বৰতাৰে গুলীয়াই হত্যা কৰা ঘটনাত জড়িত আদিল হুছেইন থ'কাৰ সন্দৰ্ভত বিস্ফোৰক তথ্য লাভ কৰিছে। আদিল হুছেইন থ'কাৰে শিক্ষাৰ্থীৰ ভিছা-পত্ৰ লৈ পাকিস্তানলৈ গৈছিল আৰু তাতে সেনাৰ প্ৰশিক্ষণ লৈ পিছলৈ সন্ত্ৰাসবাদী সংগঠনৰে জড়িত হৈ পৰে। অনন্তনাগৰ বীজবেহাৰৰ বাসিন্দা আদিল হুছেইন থ'কাৰে ২০১৮ চনত শিক্ষাৰ্থীৰ ভিছা লৈ পাকিস্তানলৈ গৈছিল। ইয়াৰ পূৰ্বেই থ'কাৰৰ পাক মদতপুষ্ট সন্ত্ৰাসবাদী সংগঠনৰ সৈতে সম্পৰ্ক স্থাপন হৈছিল। পাকিস্তানলৈ যোৱাৰ পিছতে থ'কাৰৰ সম্পৰ্ক পৰিয়ালৰ সৈতে বিচ্ছিন্ন হৈ পৰে। পাকিস্তানত সেনাৰ প্ৰশিক্ষণ লোৱাৰ পিছত সন্ত্ৰাসবাদী সংগঠনৰ সৈতে সম্পৰ্কিত হয় আৰু সংগঠনতেই সক্ৰিয় হৈ পৰে। লস্কৰ-ই-তৈবাৰ তত্ত্বাৱধানত কিছুদিন প্ৰশিক্ষণ লোৱাৰ পিছত ছবছৰৰ মূৰকত পাকিস্তানৰ পৰা ২০২৪ চনৰ শেষৰ পিনে কাশ্মীৰলৈ উভতি আহে থ'কাৰ।

# কাশ্মীৰৰ বন্দীপোৰাত

ৰাষ্ট্ৰখনৰ সেনাৰ এই গুলীৰ প্ৰত্যুত্তৰ দিছে ভাৰতীয় সেনাই। তথ্য মতে, জম্মু-কাশ্মীৰৰ এলঅ'চিৰ কিছু স্থানত পাকিস্তানী সেনাই ক্ষুদ্ৰ আগ্নেয়াস্ত্ৰৰে গুলীচালনা কৰি পৰিৱেশ উত্তেজনাময় কৰি তুলিছে। পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত দুই দেশৰ মাজত উত্তেজনা অব্যাহত থকাৰ সময়তে এলঅ'চিত পাকিস্তানী সেনাৰ গুলীচালনাক লৈ সপ্তম হৈছে ভাৰতীয় সেনা। সন্ত্ৰাসবাদীৰ বিৰুদ্ধে নিৰাপত্তা বাহিনীয়ে অভিযান তীব্ৰতৰ কৰি তোলাৰ সময়তে শ্ৰীনগৰত উপস্থিত হৈছে সেনাপ্ৰধান জেনেৰেল উপেন্দ্ৰ দ্বিবেদী। সেনাপ্ৰধান জেনেৰেল দ্বিবেদীক বন্দীপোৰাৰ ঘটনা সন্দৰ্ভত অৱগত কৰে সেনা বিষয়াই।

# তিনি দশক ধৰি

তেতিয়াহ'লে দেশখনৰ সুনাম আহিলহেঁতেন। পেহেলগামত ২৬জন লোকক হত্যা কৰাৰ পাছতেই ভাৰত চৰকাৰে আমাৰ বিৰুদ্ধে কেইবাটাও কঠোৰ কূটনীতিক পদক্ষেপ লৈছে। পাকিস্তানক সন্ত্ৰাসবাদৰ জৰিয়তে কলংকিত কামত জড়িত কৰাৰ বাবে আমেৰিকা আৰু স্বয়ং দেশখনেই জগৰীয়া বুলিও স্বীকাৰ কৰে মন্ত্ৰীগৰাকীয়ে। মন কৰিবলগীয়া যে পেহেলগামত সন্ত্ৰাসবাদী আক্ৰমণৰ পাছতেই ভাৰত আৰু পাকিস্তানৰ মাজত এখন সম্ভাব্য যুদ্ধক লৈ বিশ্বও উদ্বিগ্ন হৈছে বুলি সাক্ষাৎকাৰত উল্লেখ কৰে খাৱাজাই। দুয়োখন দেশৰ হাততেই পাৰমাণৱিক অস্ত্ৰ থকাৰ বাবেই যুদ্ধই ভয়াবহ পৰিস্থিতিৰ সৃষ্টি কৰিব পাৰে বুলি উল্লেখ কৰি খাৱাজাই ভাৰতৰ যিকোনো পদক্ষেপৰ বাবে পাকিস্তানী সেনা সাজু হৈ আছে বুলিও কয়।

## ENGLISH NEWS SECTION

# Assam Governor attends 32nd convocation of Gauhati University




Guwahati, RB News- Assam Governor and Chancellor, Gauhati University Shri Lakshman Prasad Acharya along with Chief Minister Dr. Himanta Biswa Sarma today, attended the 32nd Convocation Ceremony of Gauhati University and presented degrees and diplomas to the dignitaries and students at the premises of the university.Addressing the students on the occasion, Governor Shri Acharya asked Gauhati University to become an active partner in the unified efforts in making India a global hub of education, innovation and values. He said, “Together, we must strive to reclaim India’s place as the Vishwaguru—a world leader in knowledge and wisdom, as Gauhati University should take the lead in our steadfast efforts towards meteoric rise of the nation”. The Governor also called for deeper academic collaboration with national and international institutions, as he asked Gauhati University to lead this effort and forge crucial and important collaboration with institutions like IITs and NITs through "Innovation Clubs" and incubator networks. Emphasizing on the transformative role of the National Education Policy (NEP) 2020 in reshaping the academic landscape of the country, Governor Shri Acharya asked Gauhati University to act as a catalyst in realizing the goals of NEP 2020. He commended the Gauhati university for being the first in the Northeast to implement NEP 2020 and lauded its adoption of digital platforms like e-Samarth as a testament to its technological competence. The Governor on the occasion highlighted Assam's rich heritage as a land of sages and knowledge, referring to the iconic figures such as Mahapurush Srimanta Sankardev, Sri Sri Madhavdev, Bharat Ratna Gopinath Bordoloi, and Dr. Bhupen Hazarika. He also praised the scenic and intellectually vibrant campus of Gauhati University as an ideal space for learning and innovation.

## Sunrisers Hyderabad beat Chennai Super Kings by 5 wickets



RB News- Sunrisers Hyderabad made history by beating Chennai Super Kings at Chepauk for the first time, chasing down 155 with 5 wickets and 8 balls to spare. Harshal Patel bagged a four-wicket haul as SRH bundled out CSK for 154 after opting to bowl first. Dewald Brevis top-scored for CSK with a 25-ball 42, while Ayush Mhatre continued his impressive start to IPL with another cameo at the top. He hit 30 off 18 balls. SRH stumbled in the chase but an unbeaten 49-run stand between Kamindu Mendis and Nitish Reddy eventually sealed the game for them.

## KKR vs PBKS match gets abandoned due to rain




RB News- The IPL 2025 clash between Punjab Kings (PBKS) and Kolkata Knight Riders (KKR) was marred by rain, marking the first no-result game of the season. The match ad a promising start with PBKS posting a solid total, but the weather decided to play spoilsport, with rain halting play early in KKR's chase, leaving the game abandoned.Punjab Kings set a strong total of 201/4, thanks to splendid half-centuries from Prabhsimran Singh and Priyansh Arya.

## Rohit Sharma becomes 2nd Indian batter to score 12,000 T20 runs



RB News- Mumbai Indians (MI) opener Rohit Sharma became the second Indian batter after Virat Kohli to score 12,000 runs in T20s during their IPL 2025 match against SRH. He is also the eighth batter overall to achieve the feat. Chris Gayle has scored the most T20 runs (14,562), followed by Alex Hales (13,610), Shoaib Malik (13,571) and Kieron Pollard (13,537).

## 'Ha Lyngkha Bneng' wins top honours at Moscow film festival



RB News- Shillong, National awardee and self-taught filmmaker Pradip Kurbah has bagged two major honours at the 47th Moscow International Film Festival, with his film ‘Ha Lyngkha Bneng’ winning Best Film and Kurbah himself being awarded Best Director, officials said on Friday. The awards were presented by the Network for Promotion of Asian Cinema , which annually recognises outstanding feature films from the Asia-Pacific region, they said.Meghalaya Chief Minister Conrad K. Sangma congratulated Kurbah on the remarkable achievement.


## RCB defeated RR by 11 runs



RB News- RCB defeated RR by 11 runs in their IPL 2025 match at Chinnaswamy Stadium in Bengaluru on Thursday. It is RCB's first win at home in IPL 2025. RCB put up a total of 205/5 and restricted RR to 194/9. RCB are currently third on the points table with 12 points, while RR are placed eighth, with four points.

# ভাৰতীয় সংবিধান ৰচনাৰ পটভূমি

**ময়ূৰী বৰগোহাঁই,**
**দশম শ্ৰেণী,শিৱসাগৰ**




সংবিধান হৈছে ৰাষ্ট্ৰৰ আধাৰশিলাস্বৰূপ।

সংবিধান শব্দটি, লেটিন শব্দ "constitute" ৰ ইংৰাজী প্ৰতিশব্দ "Constitution" ৰ পৰা উৎপত্তি হৈছে। এই "constitution" শব্দটিৰ অসমীয়া ভাঙনি হৈছে 'সংবিধান'। এই শব্দৰ অৰ্থ হ'ল গঠন বা প্ৰতিষ্ঠা কৰা। ৰোমান আইন শাস্ত্ৰৰ পৰা ৰাষ্ট্ৰীয় ক্ষেত্ৰত এই শব্দটিৰ প্ৰয়োগ কৰা হৈছে। ৰোমান আইনে এই শব্দৰ দ্বাৰা সৰ্বোচ্চ ৰাজকীয় কৰ্তৃত্বৰ কথা বুজায়।

এই সংবিধানৰ সংজ্ঞা সম্পৰ্কে বিভিন্নজন পণ্ডিতে বিভিন্ন ম'ত পোষণ কৰিছে। মাৰ্কিন আইনজ্ঞ কুলী (cooley)ৰ মতে "সংবিধান হ'ল সেইবিলাক মৌলিক নীতি আৰু নিয়মাবলী, যিবিলাকৰ দ্বাৰা সাৰ্বভৌম ক্ষমতা প্ৰয়োগ কৰা হয়"। ঠিক তেনেদৰে লৰ্ড ব্ৰাইছে (Lord Bryce) সংবিধানৰ সংজ্ঞা নিৰূপণ কৰিছে এনেদৰে "সংবিধান হ'ল সেইবিলাক আইন আৰু প্ৰথাৰ সমষ্টি, যিবিলাকৰ দ্বাৰা ৰাষ্ট্ৰৰ জীৱন পৰিচালিত হয়।" এনেদৰে অধ্যাপক লাস্কি (Prof. Laski) এ সংবিধান সম্পৰ্কে মত পোষণ কৰিছে যে -"প্ৰত্যেক সুসংবদ্ধ ৰাষ্ট্ৰৰ একোখনকৈ সংবিধান থাকে, যাৰ দ্বাৰা চুড়ান্তভাৱে আইন অনুজ্ঞাসসমূহ প্ৰণয়ন কৰা হয়।"

আধুনিক কালত প্ৰত্যেক ৰাষ্ট্ৰৰে এখন নিজস্ব সংবিধান থাকে। সংবিধান নোহোৱাকৈ ৰাষ্ট্ৰৰ অস্তিত্বৰ থকা কল্পনা কৰিব নোৱাৰি। কাৰণ সংবিধানে ৰাষ্ট্ৰৰ শাসন-ব্যৱস্থা কেনেধৰণৰ হ'ব সেই কথা নিৰ্ধাৰণ কৰে। বৰ্তমান সময়ত প্ৰতিখন ৰাষ্ট্ৰৰে একোখন সংবিধান থকাটো নিতান্তই অপৰিহাৰ্য।

প্ৰত্যেক ৰাষ্ট্ৰৰ দৰে ভাৰতবাসীৰো এক সপোন আছিল যে ভাৰতবৰ্ষও অস্বাতন্ত্ৰতাৰ শিকলি চিঙি এদিন স্বাধীন হ'ব। বি. আৰ আম্বেদকাৰ, কে. কে মুন্সী, মৌলানা কালাম আজাদ আদিৰ দৰে ক'তজন অভেদাত্মাৰ আৰ্হিৰ চানেকিৰে ভাৰতবৰ্ষত স্থাপন হ'ব প্ৰজাৰ গণতন্ত্ৰ।

ভাৰতৰ সংবিধান ভাৰতীয় প্ৰজাতন্ত্ৰৰ সৰ্বোচ্চ আইন। এই সংবিধানত চৰকাৰৰ গঠন, কাৰ্যপ্ৰণালী, ক্ষমতা আৰু কৰ্তব্য নিৰ্ধাৰণ, মৌলিক অধিকাৰ, ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতি আৰু নাগৰিকসকলৰ কৰ্তব্য নিৰ্ধাৰণ কৰা হৈছে। ভাৰতবৰ্ষ এনে এখন ৰাষ্ট্ৰ যত নানা জাতি, উপজাতি, বিভিন্ন ধৰ্মাৱলম্বী আৰু বিভিন্ন সংস্কৃতিৰ লোকে বসবাস কৰি আহিছে। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পাছত স্বতন্ত্ৰভাৱে ৰাষ্ট্ৰ পৰিচালনা কৰিবলৈ এখন সংবিধানৰ প্ৰয়োজন হৈছিল। ভাৰতবাসীৰ এই সপোন বাস্তৱত ৰূপায়িত হ'বৰ বাবে কেইবাটাও পৰ্যায় অতিক্ৰম কৰিব লগা হৈছিল। অৱশেষত অশেষ কষ্টৰ বিনিময়ত ভাৰতীয় সংবিধানখন গৃহীত কৰি ১৯৫০ চনৰ ২৫ জানুৱাৰীত ইয়াক কাৰ্যবাহী কৰা হৈছিল আৰু ভাৰত পৰিচালনাৰ নথিৰূপে পৰিগণিত হৈছিল। ভাৰতৰ সংবিধানখন ভাৰতৰ সংবিধান সভাই ১৯৪৯ চনৰ ২৬ নবেম্বৰত অনুমোদন জনাইছিল। ১৯৫০ চনৰ ১৬ নবেম্বৰত এইখন গৃহীত হোৱাৰ ফলত ভাৰত এখন সাৰ্বভৌম গণতান্ত্ৰিক দেশ হোৱাৰ প্ৰক্ৰিয়া সমাপ্ত হৈছিল।

আমাৰ দেশৰ সংবিধানখনে কিদৰে পূৰ্ণতা লাভ কৰিলে তাৰ এটি ঐতিহাসিক পটভূমি আছে। মহাত্মা গান্ধীৰ নেতৃত্বত হোৱা ভাৰতৰ স্বাধীনতা আন্দোলনৰ সফলতাৰ পিছত ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতে ব্ৰিটিছ শাসনৰ পৰা স্বাধীনতা লাভ কৰে। এই পদক্ষেপ "ভাৰত স্বাধীন আইন, ১৯৪৭"ৰ মতে প্ৰযোজ্য কৰা হৈছিল। এই যুক্তৰাষ্ট্ৰৰ সংসদৰ আইনখনে ভাৰতক ব্ৰিটিছ কমনৱেলথৰ দুটা নতুন স্বাধীন ডমিনিয়নত বিভক্ত কৰিছিল আৰু ষষ্ঠ জৰ্জ ৰাষ্ট্ৰপতি আৰু আৰ্ল মাউন্টবেটেনক গৱৰ্ণৰ জেনেৰেল হিচাপে লৈ ভাৰত সাংবিধানিক ৰাজতন্ত্ৰত পৰিণত হৈছিল। স্বতন্ত্ৰ সাংবিধান অবিহনে ইয়াৰ আইনসমূহ প্ৰথমে "ভাৰত চৰকাৰ আইন, ১৯৩৫" ৰ ওপৰত ভিত্তি কৰি ভাৰতীয় সংবিধান সভাৰ দ্বাৰা পৰিচালিত আছিল।

১৮৫৭ চনত বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে প্ৰৱৰ্তন কৰা কিছুমান নীতিৰ বিৰুদ্ধে একাংশ ভাৰতীয় জনগণই বিদ্ৰোহ কৰে। ফলস্বৰূপে তাৰ পিছৰ বছৰটোত অৰ্থাৎ ১৮৫৮ চনত বৃটিছ চৰকাৰে এক আইন প্ৰণয়ন কৰি ভাৰতৰ শাসনভাৰ বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ পৰা ইংলণ্ডৰ ৰাণীৰ প্ৰত্যক্ষ শাসনলৈ নিয়ে। ইয়াৰ পিছৰে পৰা ভাৰতত আধুনিক শাসন ব্যৱস্থা গঢ়ি তুলিবলৈ বৃটিছ চৰকাৰে বিভিন্ন সময়ত কিছুমান আইন প্ৰণয়ন কৰিছিল। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পূৰ্বে ইংৰাজ চৰকাৰে সময়ে সময়ে প্ৰণয়ন কৰা এই আইনবোৰৰ যোগেদিয়ে ভাৰতবৰ্ষখন শাসন কৰিছিল। ইংলণ্ডৰ ৰাণীৰ প্ৰত্যক্ষ শাসনৰ আৰম্ভণীৰে পৰা শিক্ষিত ভাৰতীয় লোকসকলে বৃটিছ চৰকাৰখনত তেওঁলোকৰ অন্তৰ্ভুক্তিৰ দাবী কৰি আহিছিল। তেওঁলোকৰ হেঁচাৰ ফলত বৃটিছ চৰকাৰে বিভিন্ন সময়ত বিভিন্ন আইনৰ যাবা সীমিত সংখ্যক ভাৰতীয় লোকক শাসন ব্যৱস্থাত অংশ গ্ৰহণৰ বাবে পদক্ষেপ লৈছিল। আৰু সেই সময়তে ১৯২২ চনত পোন প্ৰথমবাৰৰ বাবে মহাত্মা গান্ধীয়ে দেশখনৰ বাবে ভাৰতীয়সকলে নিজে ৰচনা কৰা এখন সংবিধানৰ দাবী কৰিছিল। ইয়াৰ পিছত ১৯২৪ চনত স্বৰাজ পাৰ্টিয়েও সংবিধান ৰচনা কৰিবৰ বাবে এখন সংবিধান সভাৰ দাবী তুলিছিল। এনেদৰে সেই সময়ত ভাৰতীয়সকলৰ মাজত এখন সংবিধানৰ বাবে প্ৰবল জনমত গাঢ় লৈ উঠিছিল। ১৯২৭ চনত চাৰ জন চাইমনৰ নেতৃত্বত গঠন হোৱা "চাইমন কমিচন"ৰ প্ৰতিবেদন মতে ভাৰতৰ এখন সুকীয়া সংবিধান ৰচনা কৰাত গুৰুত্ব দিয়া হৈছিল।

১৯৩৪ চনত ভাৰতীয় জাতীয় কংগ্ৰেছ দলে এখন সংবিধান সভা গঠনৰ বাবে প্ৰস্তাৱ দিয়ে। বৃটিছ চৰকাৰে চাইমনৰ প্ৰতিবেদন গ্ৰহণ কৰাৰ সময়ছোৱাত লণ্ডনত ভাৰতৰ প্ৰতিনিধিসকলৰ লগত মতামত বিনিময় কৰিবৰ বাবে তিনিখন ঘূৰণীয়া মেজমেল অনুষ্ঠিত কৰিছিল। এই মেজমেলৰ প্ৰস্তাৱৰ ভিত্তিত ওপৰত উল্লেখ কৰা ১৯৩৫ চনৰ 'ভাৰত চৰকাৰ আইন' গ্ৰহণ কৰা হয়। এই সময়ছোৱাতে দ্বিতীয় মহাযুদ্ধৰ (১৯৩৯-১৯৪৫) আৰম্ভণিত ভাৰতীয়সকলৰ মাজত স্বাধীনতাৰ দাবী অতি সক্ৰিয় হৈ পৰিছিল। আৰু বৃটিছ চৰকাৰেও তেওঁলোকৰ যুদ্ধৰ প্ৰস্তুতিত ভাৰতীয়সকলৰ সমৰ্থন লাভ কৰাৰ উদ্দেশ্যে ১৯৪০ চনত 'আগষ্ট প্ৰস্তাৱ'ৰ জৰিয়তে এক সুকীয়া সংবিধানৰ দাবী মানি লৈছিল। সেই অনুসৰি ১৯৪৬ চনত কেবিনেট মিছন ভাৰতলৈ আহে আৰু ভাৰতৰ বাবে এক সুকীয়া সংবিধান বানা কৰিবলৈ প্ৰস্তাৱ আগবঢ়ায়। এই প্ৰস্তাৱ অনুসৰিয়েই ভাৰতীয় সংবিধান সভা গঠিত হয় আৰু এই সভাৰ সভাপতিৰূপে নিৰ্বাচিত কৰা হয় ড° ৰাজেন্দ্ৰ প্ৰসাদক। এইখিনিতে ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ লগে লগে সংবিধান সভাই ভাৰতৰ বাবে এখন সংবিধান ৰচনা কৰাৰ অধিকাৰ লাভ কৰে। আৰু লগে লগে ১৯৪৭ চনৰ ২৯ আগষ্ট তাৰিখে ড° ভীমৰাও আম্বেদকাৰক সভাপতি ৰূপে লৈ ৬ জন সদস্যৰ সৈতে এখন খচৰা কমিটি গঠন কৰা হয়।

**আগলৈ....**

# মোৰ বুকুলৈ এইবাৰ নাহে ব'হাগ




মোৰ বুকুলৈ এইবাৰ ব'হাগ নাহে,
জুৰুলিজুপুৰি নহওঁ
ব'হাগৰ প্ৰথমজাক বৰষুণত,
তগৰ কিম্বা কপৌৰ সুবাসত
আমোলমোল নহয় হিয়া।
ঢোলৰ চেৰত নতুবা বাঁহীৰ সুৰত
অনুভৱ নকৰোঁ
তাহানিৰ সেই বিহুৱা ৰূপ।
কঁকালৰ টঙালি খন ঢিলা হ'ল,
মূৰৰ গামোচাৰ পাগ খহি গ'ল,
চুৰিয়া খন নোহোৱা হ'ল।
মুখত নুফুটে আৰু বিহু নামৰ
লেঠাৰি নিচিগা কলি।
ক'ৰ পৰা জুৰিম
ক'ত শেষ কৰিম তাৰো হিচাপ নাৰাখোঁ,
দদাইদেউৰ চোতালত গিৰিপ গিৰিপ
খোজ দিয়াৰ হাবিয়াসো নকৰোঁ,
নামাবোঁ চোতালৰ দুবৰি বন।
নাচনী জনীক নকওঁ
বিহা খনৰ কথা,
ঢোলৰ চাপৰত নালাগে ভাঙিব কঁকাল।
লিলিৰ মাকক নকওঁ চাহ পানীটুপিৰ কথা,
নকওঁ টেঙা চেপা সাঁজ বাতিৰ কথা,
শৰাই খনিত ৰুমাল নতুবা গামোচাৰ বাবে
জোৰা নামৰ ধেমালিও নকৰোঁ।
মূৰৰ চুলি চিঙি আশীৰ্বাদ কৰাও ন'হব,
এইবাৰ মোৰ বুকুলৈ ব'হাগ নাহে..
নুফুলে বকুত ৰাঙলী নাহৰ।।

ৰঙিলী বাৰ্ত্তা কৰ্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ°মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286